www.newsnextone.com
# e সংবাদ
Sacn to Donate
NEWSNEXTONE.COM
FRIDAY, OCTOBER 11, 2024 ■ শুকুৰবাৰ।। ২৪ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৯ Guwahati, Assam ।। মূল্যঃ এটকা

**ওমৰ আব্দুল্লা বিধায়িনী নেতা**

শ্ৰীনগৰ, ১০ অক্টোবৰঃ ১০ বছৰৰ মূৰকত জম্মু-কাশ্মীৰত নিৰ্বাচিত চৰকাৰ গঠন হ'ব। ৪ পৃষ্ঠাত চাওক

**সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে মুম্বাইৰ ৱৰ্লিত পাৰ্চী নিয়ম অনুযায়ী সম্পন্ন শেষকৃত্য**

# দেশবাসীক কন্দুৱাই পঞ্চভূতত বিলীন ৰতন টাটা





ৰতন টাটাৰ শেষ যাত্ৰা, মুম্বাইত বৃহস্পতিবাৰে

**মুম্বাই, ১০ অক্টোবৰঃ** অৱশেষত পঞ্চভূতত বিলীন হ'ল দেশৰ প্ৰসিদ্ধ উদ্যোগপতি তথা মানৱদৰদী ৰতন টাটাৰ নশ্বৰ দেহ। বৃহস্পতিবাৰে সন্ধিয়া মধ্য মুম্বাইৰ ৱৰ্লিৰ শ্মশানত ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষকৃত্য সম্পন্ন হয় 'দানবীৰ' উদ্যোগপতি ৰতন টাটাৰ। এই সময়ছোৱাত ৰতন টাটাৰ সম্পৰ্কীয় ভাতৃ নোৱেল টাটা, তেওঁৰ পৰিয়ালৰ সদস্য আৰু টাটা গ্ৰুপৰ অধ্যক্ষ এন শেষাংশ ৪ পৃষ্ঠাত

**নাতিশীতোষ্ণ বতৰ ■ মণ্ডপে মণ্ডপে পাৰভঙা উছাহ ■ মন্ত্ৰোচ্চাৰণেৰে মুখৰ ৰাজ্য**



জাকজমকতাৰ বিপৰীতে ডুমডুমাৰ ঐতিহ্যমণ্ডিত অসমীয়া পূজাত বিৰাজমান দুৰ্গা পূজাৰ আধ্যত্মিক ৰূপ, ফটোঃ ৰাজীৱ

# আজি মহাষ্টমী

**ই-সংবাদ, ১০ অক্টোবৰঃ** শৰতৰ মায়াময় পৰশত শদিয়াৰ পৰা ধুবুৰীলৈ, ব্ৰহ্মপুত্ৰৰ পৰা বৰাকলৈ সমগ্ৰ অসমতে জীপাল হৈ পৰিছে দুৰ্গোৎসৱৰ পৰিৱেশ। ঠায়ে ঠায়ে মজলীয়া বৰষুণ, উৎকট গৰমৰ পৰা পৰিত্ৰাণ আৰু গাত শেষাংশ ২ পৃষ্ঠাত

## উজলিল কোৰিয়ান লেখিকা ২০২৪ বৰ্ষৰ সাহিত্যৰ নোবেল হান কাঙৈলে



**ষ্টকহোম, ১০ অক্টোবৰঃ** মাত্ৰ ৫ কোটি মানুহৰ এখন দেশ। মাত্ৰ কেইকোটিমান মানুহে কোৱা এটি ভাষা। দেশখন দক্ষিণ কোৰিয়া, ভাষাটো শেষাংশ ৪ পৃষ্ঠাত

## উমৰাংছুত আদানিৰ বিৰুদ্ধে হুংকাৰ কংগ্ৰেছৰ

**ই-সংবাদ, ১০ অক্টোবৰঃ** প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিৰোধী দলপতি দেবব্ৰত শইকীয়া, বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে আজি ডিমা হাচাও জিলা ভ্ৰমণ কৰে। ডিমা হাচাও জিলাৰ শেষাংশ ৩ পৃষ্ঠাত


## বিশেষ ঘোষণা


দুৰ্গা পূজা উপলক্ষে আজি আৰু কাইলৈ আমাৰ কাৰ্যালয় বন্ধ থাকিব। সেয়ে ১২ আৰু ১৩ অক্টোবৰ সংখ্যাৰ 'ই-সংবাদ' প্ৰকাশ নাপায়। পৰৱৰ্তী সংখ্যাৰ কাকত প্ৰকাশ পাব অহা ১৪ অক্টোবৰত।

**জন্তুপ্ৰেমৰ বাবেই বয়স নেওচি টাটাৰে হৈ পৰিছিল ঘনিষ্ঠ**

## ভিন্ন বয়সী বন্ধুৰ মৃত্যুত শোকাৰ্ত শান্তনু







**মুম্বাই, ১০ অক্টোবৰঃ** মানৱদৰদী উদ্যোগপতি ৰতন টাটাৰ বিয়োগৰ খবৰে গোমা কৰি ৰাখিছে প্ৰতিজন ভাৰতীয়ৰ হৃদয়ৰ আকাশ। ভাৰতৰ অন্যতম জনপ্ৰিয় উদ্যোগপতি ৰতন টাটাৰ বিয়োগত শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা পুঁজিপতি মুকেশ আম্বানী, আনন্দ মহিন্দ্ৰাকে ধৰি দেশৰ শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভিন্ন বয়সী বন্ধুৰ মৃত্যুত শোকাৰ্ত শান্তনু

অগণন গুণমুগ্ধ। কিন্তু আজি ৰতন টাটাৰ মৃত্যুত হৃদয়ৰ পৰা উচুপি উঠা সকলৰ ভিতৰত আছে বয়সৰ পৰিধি নেওচিও তেওঁৰ ঘনিষ্ঠ বন্ধু হিচাপে পৰিচিত হৈ পৰা শান্তনু নাইডু। ৩০ বৰ্ষীয় এই যুৱকজনৰ বাবে ৰটন টাটা আছিল এগৰাকী পথ প্ৰদৰ্শক, নিকট সহচৰ। দুয়োৰে মাজত থকা বয়সৰ বিশাল ব্যৱধানৰ পিছতো প্ৰায়ে ৰতন টাটাৰ কান্ধত হাত থৈ ফটোৰ বাবে পজ দিব পৰা বন্ধু আছিল শান্তনু। বুধবাৰে উদ্যোগপতিগৰাকীৰ বিয়োগৰ খবৰৰ পিছতে শোকবিহুল হৈ পৰা যুৱকজনে লিংকডইনত পোষ্ট কৰি লিখিছে, 'ৰতন টাটাৰ বিয়োগে এৰি থৈ যোৱা এই বন্ধুত্বৰ ব্যৱধান পূৰণৰ চেষ্টা মই মোৰ বাকীছোৱা জীৱনত কৰি যাম। ভালপোৱাৰ যি মূল্য পৰিশোধ কৰিবলগীয়া হয়, সেয়া হৈছে দুখ। বিদায়, মোৰ প্ৰিয় পথিকৃৎ।' উল্লেখ্য যে, জন্তুৰ প্ৰতি থকা প্ৰচণ্ড ভালপোৱাই দহ বছৰ পূৰ্বে ওচৰ চপাই আনিছিল উদ্যোগপতি ৰতন টাটা আৰু শান্তনু নাইডুক। ভিন্ন বয়সৰ দুগৰাকী ব্যক্তিৰ এই বন্ধুত্বই মানুহৰ দৃষ্টি আকৰ্ষণ কৰিছিল ২০২১ চনত। সেই বছৰ এটা সৰু বাতি কেক আৰু এডাল মমবাতিৰে শান্তনুক কাষত লৈ জন্মদিন উদযাপন কৰিছিল ৰতন টাটাই। জন্মদিনৰ সময়ৰ ভিডিঅ' আৰু ৰতন টাটাৰ কান্ধত হাত থৈ উঠা শান্তনুৰ ফটোৱে প্ৰথমবাৰৰ বাবে চৰ্চালৈ আনে এই যুৱকজনক। কিন্তু ইয়াৰ পূৰ্বেই অৰ্থাৎ ২০১৪ চনতে গঢ় লৈ উঠিছিল ৰতন টাটা আৰু শান্তনুৰ বন্ধুত্ব। পথৰ কুকুৰ-মেকুৰীৰ বাবে কাম কৰি অহা পুনেৰ মেকানিকেল ইঞ্জিনিয়াৰিঙৰ ছাত্ৰজনৰ কৰ্মত প্ৰভাৱিত হৈ একেলগে কাম কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল ৰতন টাটাই। তাৰ পিছতে দুয়োজনে মিলি অঘৰী কুকুৰ-মেকুৰীৰ সুৰক্ষাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। বিশেষকৈ নিশাৰ সময়ত বাটৰ কুকুৰৰ দুৰ্ঘটনা হ্ৰাস কৰাৰ লগতে ক্ষুধাৰ্ত জীৱ-জন্তুৰ বাবে শান্তনুৱে আৰম্ভ কৰা 'মোটোপজ' নামৰ সংস্থাটোত ব্যক্তিগতভাৱে হাত উজান দিয়ে ৰতন টাটাই। লক্ষণীয় যে, শান্তনু নাইডুৱে আমেৰিকাৰ কৰ্ণেল বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী গ্ৰহণ কৰাৰ সময়ত সেই অনুষ্ঠানৰ অংশীদাৰ হৈছিল ৰতন টাটাও। তাতেই উদ্যোগপতিগৰাকীয়ে শান্তনুক তেওঁৰ ব্যক্তিগত সহায়ক হিচাপে কাম কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। ইয়াৰ পৰৱৰ্তী সময়ত ৰতন টাটাৰ অতি ঘনিষ্ঠসকলৰ ভিতৰৰ এজন হৈ পৰে শান্তনু। তেওঁৰ সৈতে টাটাই ব্যৱসায়িক কথা-বতৰাৰ লগতে ব্যক্তিগত জীৱনৰ কথা-বতৰাও ভাগ কৰিবলৈ আৰম্ভ কৰে। এনেদৰে দুজন ভিন্ন বয়সৰ ব্যক্তিৰ বন্ধুত্ব অধিক গভীৰ হৈ পৰে। মন কৰিবলগীয়া যে, ইতিমধ্যে ৰতন টাটাৰ সৈতে পাৰ কৰা অন্তৰংগ মুহূৰ্তবোৰক লৈ 'আই কেম আপোন এ লাইটহাউচ' শীৰ্ষক এখন গ্ৰন্থও লিখিছে শান্তনু নাইডুৱে। ৰতন টাটাক নিজৰ দিকদ্ৰষ্টা হিচাপে গণ্য কৰে শান্তনুৱে। ৰতন টাটাও কমবয়সীয়া এই যুৱকজন নিজৰ বন্ধু হিচাপে গণ্য কৰি আহিছিল। কিন্তু অৱশেষত বুধবাৰে নিশা অৱসান ঘটে এই বন্ধুত্বৰ। মই ভালে-কুশলে আছো বুলি কৈ মুম্বাইৰ এখন হাস্পতালত বাৰ্ধক্যজনিত কাৰণত চিকিৎসাধীন হৈ থাকি অৱশেষত চিৰবিদায় লোৱা ঘনিষ্ঠতম বন্ধু তথা নিজৰ দিকদ্ৰষ্টা ৰতন টাটাক হেৰুৱাই এতিয়া উচুপি উঠিছে ৩০ বছৰীয়া শান্তনু নাইডু।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি মহাষ্টমী

লগা শৰতৰ লাহী বতাহজাকৰ পৰশে পূজাৰ এই বতৰক যেন অধিক উমাল কৰি তুলিছে। এনে পৰিৱেশৰ মাজতে আজি পূজা মণ্ডপে মণ্ডপে পালন কৰা হ'ল মহাসপ্তমী। সপ্তমীৰ দিনটোত ভগৱান গণেশৰ কাষত একেলগে নৱপত্ৰিকা পূজা কৰিছে দেৱীৰ ভক্তই। মহা সপ্তমীৰ পূজা চাবলৈ পেণ্ডেলে পেণ্ডেলে ভক্তসকল একত্ৰিত হোৱা পৰিলক্ষিত হৈছে। আজি পুৱা ৯ বাজি ১২ মিনিট ৪২ ছেকেণ্ডৰ পৰা দেৱীৰ নৱপত্ৰিকা স্থাপন, সপ্তমদী, কল্পাৰম্ভ আৰু সমা সপ্তমীবিহিত পূজা আৰম্ভ হয়। কলপুলি, মানকচু, ক'লা কচু, অশোক গছৰ ডাল, জয়ন্তী গছৰ ডাল, ধানৰ গছা, ডালিম গছৰ ডাল, হালধি, যোৰবেস আৰু অপৰাজিতা ফুলৰ ডালেৰে নৱ পত্ৰিকা তৈয়াৰ কৰা হয়। পুৱাই নদীঘাটত নৱপত্ৰিকা ধোৱাই মাতৃস্বৰূপা, শক্তিদাত্ৰী, দেৱী দশভূজাক আৰাধনাৰ পৰ্ব আৰম্ভ হয়। আজি সমগ্ৰ দিনটো কালৰাত্ৰি ৰূপত দেৱীক ভক্তই পূজা কৰিছে। প্ৰবাদ মতে, মহাসপ্তমীৰ নিশা দেৱী বৰণ অন্ধকাৰ তথা অমাৱস্যাৰ ৰাতিৰ হয়। মহাসপ্তমীত দেৱীয়ে অভয় মুদ্ৰাৰ ৰূপত বৰ প্ৰদান কৰে। মহাসপ্তমীত দেৱীক আৰাধনা কৰিলে অশুভ শক্তি নাইকীয়া হোৱা বুলি কোৱা হয়। মা কামাখ্যাত ঘট পূজা কৰা হয়। কামাখ্যাত ঘট পূজাৰ লগতে ম'হ বলি দিয়া হ'ব। এইবেলি কামাখ্যা মন্দিৰৰ তৰফৰ পৰা সাতটা ম'হ আৰু ভক্তই আগবঢ়োৱা বলি দিয়া হ'ব। আন আন শক্তিপীঠ আৰু দেৱালয়ত বলি বিধান প্ৰথা পালন কৰা দেখা যায়। গুৱাহাটীৰ উগ্ৰতাৰা দেৱালয়ত হাঁহ, পাৰ, ছাগলী, কোমোৰা আদি বলি দিয়া হয়। নৱমীৰ দিনা উগ্ৰতাৰা দেৱালয়ত ৭টা ম'হ বলি দিয়া হ'ব। নলবাৰী জিলাৰ শ্ৰী শ্ৰী বিল্বেশ্বৰ দেৱালয়ত দেৱীৰ চৰণত প্ৰদান কৰা হাঁহ, পাৰ, ছাগলী, কোমোৰা বলি দিয়া হয়। মহাসপ্তমী উপলক্ষে দেৱী দুৰ্গাক তেওঁৰ সন্তানৰ সৈতে পূজা কৰা হৈছে। দুৰ্গা দেৱীৰ নৱপত্ৰিকা প্ৰবেশথাৰ সপ্তমাদি কল্পৰামভাত মহা সপ্তমী চলে। পুৱাৰে পৰা পেণ্ডেলত দেৱী-দৰ্শন, দেৱীৰ চৰণত ভক্তসকলক অঞ্জলি আগবঢ়োৱা আৰু মহাপ্ৰসাদ লোৱা পৰ্ব চলিছে। পুৱাই নৱপত্ৰিকা স্নানৰ পিছত হিন্দু ধৰ্মৰ ৰীতি-নীতি অনুসৰণ কৰি মণ্ডপত মহাসপ্তমীৰ পূজা আৰম্ভ হয়। দুৰ্গা প্ৰতিমাৰ সন্মুখত মংগল ঘাট, চাকি, ধুনুচিৰ লগতে ফুল, দুৰা, বেলপাত, চন্দন ছটিওৱা হৈছে। পূজা মণ্ডপৰ চাৰিওফালে জপ, শংখ, ধূপৰ গোন্ধেৰে পেণ্ডেলবোৰ আমোল মোলাইছে। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, মংগল ধ্বনি, শংখ, ঢাক-ঢোলৰ ধ্বনিয়ে আকাশ ৰজনজনাই গৈছে। সৰ্বভূতৰ মাতৃস্বৰূপা, শক্তিদাত্ৰী, দেৱী দশভূজাৰ পৱিত্ৰ পূজা মণ্ডপত মহাঅষ্টমী, মহানৱমী আৰু বিজয়া দশমীৰ প্ৰস্তুতি চলাই থকা হৈছে। এইবাৰ এটা দিনতেই অষ্টমী আৰু নৱমী পৰিছে। কাইলৈ অৰ্থাৎ ১১ অক্টোবৰত মহাঅষ্টমী আৰু মহানৱমী। সপ্তমীৰ বলি বিধান পৰ্ব পালনৰ অন্তত মহাঅষ্টমী আৰম্ভ হ'ব। মহাঅষ্টমীত দেৱীক বিহিত পূজা আগবঢ়োৱা হ'ব। মা দুৰ্গাৰ অষ্টম শক্তি হৈছে মহাগৌৰী। মহাগৌৰী বাহন হৈছে ষাঁড়গৰু। কাইলৈ পুৱা ৯ বজাৰ পৰা মহাষ্টমী বিহিত পূজা আৰম্ভ হ'ব। মহাঅষ্টমীত দেৱীয়ে ভক্তক অভয় মুদ্ৰা প্ৰদান কৰে। সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'ব সন্ধি পূজা। মহাষ্টমী আৰু নৱমীৰ নিশাৰ মাজৰ সময়খিনিত সন্ধি পূজা কৰা হ'ব। এই সময়ছোৱাত বলি নিবেদন কৰি ৰাৱণ নিধনৰ সংকল্প লৈ দেৱীৰ পৰা আশীৰ্বাদ বিচাৰিছিল ভগৱান বিষ্ণুৰ অৱতাৰ প্ৰভু শ্ৰী ৰামচন্দ্ৰই। ১১ অক্টোবৰতেই মহানৱমীও পালন কৰা হ'ব। মহানৱমীত কল্পাৰম্ভ আৰু মহানৱমী পূজা আৰম্ভ হ'ব। সিদ্ধিদাত্ৰীৰ ৰূপত পূজিত হ'ব দেৱী দুৰ্গা। সিদ্ধিদাত্ৰী মাৰ ভক্তক চৌদিশৰ পৰা সিদ্ধি প্ৰদান কৰে বুলি প্ৰবাদ আছে। মহানৱমীত ডালিম ফলেৰে পূজা কৰাত ভক্তগণ বিপদমুক্ত হয়। সপ্তমীৰ দৰেই নৱমীতো বিভিন্ন শক্তিপীঠ আৰু দেৱালয়ত বলি দিয়া হ'ব। মহানৱমীৰ বিহিত পূজা সমাপ্তিৰ পাছতে ১২ অক্টোবৰত আৰম্ভ হ'ব বিজয়া দশমী। বিজয়া দশমীত পুৱা ৭ বজাৰ পাছতে দশমীৰ বিহিত পূজা সমাপন হ'ব আৰু দেৱীক বিসৰ্জনৰ পৰ্ব আৰম্ভ হ'ব। এইবাৰ দেৱী ঘোঁৰাত গমন কৰিব। ঘোঁৰাত গমনৰ অৰ্থ হৈছে ছত্ৰভংগ অৰ্থাৎ দেশত সামাজিক তথা ৰাজনৈতিক অস্থিৰতা বৃদ্ধি পোৱাৰ সম্ভাৱনা। দেৱীৰ ভক্তই স্থাপিত স্থানৰ পৰা দেৱীক অশ্ৰুসিক্ত নয়নেৰে বিধি মতে, উলিয়াই বাহনত তুলিব। তাৰ পাছতে নদীৰ ঘাটে ঘাটে দেৱীক বিসৰ্জন দিয়া হ'ব। তাৰ পাছতে মৰতক উকা কৰি বিদায় ল'ব শক্তিদায়িনী দেৱী দুৰ্গা। অশ্ৰুসিক্ত নয়নেৰে ভক্তই দেৱীক বিদায় জনাই আকৌ ধৰালৈ গমন কৰাৰ আহ্বান জনাব। ষষ্ঠীৰ দিনটোৰ পৰাই বৈদিক ৰীতি-নীতিৰে ষষ্ঠীৰ বেদীত দেৱীক স্থাপন কৰাৰ পাছৰে পৰা ৰাজ্যত শাৰদীয় দুৰ্গা পূজাক লৈ ৰাজ্যজুৰি আনন্দ-উল্লাস দেখা গৈছে। বিশ্বৰূপিণী, জগততাৰিণী দেৱী দশভূজাৰ বন্দনাৰে মুখৰ হৈছে সমগ্ৰ ৰাজ্য। চৌদিশে শুনা গৈছে শংখ-ঘণ্টা, ঢাক-ঢোলৰ ঐকতান, আয়তীৰ উৰুলি, পুৰোহিতৰ মন্ত্ৰধ্বনি, ভক্তিপ্ৰাণ জনগণৰ জয়ধ্বনি। এনেকৈ এতিয়া ৰাজ্যত বিৰাজ কৰিছে ভক্তিমধুৰ উছৱমুখৰ পৰিৱেশ। পূজাৰ সময়ছোৱাত যাতে ক'তো অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ হ'ব নোৱাৰে তাৰ বাবে জিলাই জিলাই সন্তম হৈ আছে আৰক্ষী প্ৰশাসন। যান-বাহন আৰক্ষীয়েও ঠায়ে ঠায়ে পথ নিৰ্দেশনা দিয়া দেখা গৈছে। পূজা কমিটিসমূহেও নিজাববীয়াকৈ সুৰক্ষৰ ব্যৱস্থা কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছুত আদানিৰ বিৰুদ্ধে হুংকাৰ

থলুৱা কৃষকৰ ৯ হাজাৰ বিঘা ভূমি পুঁজিপতি আদানিক গটাবলৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত প্ৰধান বিৰোধী দল কংগ্ৰেছৰ তিনি নেতাই ডিমা হাচাও জিলাৰ উমৰাংছু ভ্ৰমণ কৰি বিজেপি দল আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰে। জনজাতীয় লোকক উচ্ছেদ কৰি ৯ হাজাৰ বিঘা ভূমি বণিক গোষ্ঠীক হস্তান্তৰৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে কংগ্ৰেছে থিয় দিয়াৰ আশ্বাস দিয়ে। উল্লেখ্য যে, উমৰাংছুত বিগত দুটা দশকত ইটোৰ পিছত সিটো চিমেন্ট উদ্যোগে স্থাপন কৰি পাৰিপাৰ্শ্বিকতা ধ্বংস কৰিছে। তাৰ পাছতে আদানি গোটক উদ্যাগৰ বাবে ৯ হাজাৰ বিঘা ভূমি গতাব খোজাত স্থানীয় ৰাইজৰ নিদ্ৰাহৰণ হৈছে। ডিমা হাচাওৰ ৯ খন গাঁৱৰ ৯ হাজাৰ বিঘা মাটি আদানি গোটক দিয়া হ'ব। বৰলিংচিংদাং, চেৰচৰাংছু, বৰলাং, চুইলাং, চিংকিলাংচু, হাইৰেলাংচ, চুলিকিংদং আদিকে ধৰি ৯খন গাঁৱৰ ভূমি আদানিক গতাই দিব খোজা সিদ্ধান্তৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে জনজাতীয় ৰাইজ। বৰলিংচিংদাং, চেৰচৰাংছু, বৰলাং, চুইলাং আদি গাঁৱৰ জনজাতীয় গঞ্জাক সাক্ষাৎ কৰি ভূপেন বৰাৰ নেতৃত্বৰ কংগ্ৰেছৰ দলটোৱে। ভূমি গতাই দিব খোজা স্থানত চলি থকা প্ৰতিবাদস্থলীলৈ গৈ গঞ্জাৰ মাটি চুই সেই মাটি ৰক্ষাৰ সংকল্প লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ চৰকাৰক চোকা সমালোচনা কৰে ভূপেন বৰাই। চৰকাৰে যিটো প্ৰক্ৰিয়াৰে খনন কৰিবলৈ অনুমতি দিয়াৰ যি নিবিদা তাক লৈ প্ৰশ্ন উত্থাপন কৰি ভূপেন বৰাই কয় যে ১৮২৬ চনত ব্ৰিটিছ আৰু বাৰ্মিছৰ মাজত যি ইয়াণ্ডাবু সন্ধি হৈছিল তেনে প্ৰক্ৰিয়াৰ দৰে প্ৰক্ৰিয়া কৰিছে চৰকাৰে। মাটিৰ মালিক বেলেগ, মাটিত বহি আছে খিলঞ্জীয়া ভূমিপুত্ৰ কাৰ্বিসকল। মাটিৰ মালিকে গমেই নাপাই যে নিবিদাৰ তাৰিখ ঠিক হৈ গৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বাৰে বাৰে জাতি-মাটি-ভেটিৰ কথা কয়। জাতি এতিয়া ভূমিহীন হ'বলৈ ওলাইছে। কাৰণ মুখ্যমন্ত্ৰীক মাটি লাগে। ইন্দিৰা গান্ধীয়ে ষষ্ঠ অনুসূচী দিছিল খিলঞ্জীয়া জনজাতিৰ মাটি যাতে কোনেও কাঢ়ি নিব নোৱাৰে তাৰ বাবে। হিমন্ত বিশ্ব শৰ্মাই ব্যক্তিগত মুনাফাৰ কাৰণে ক্ষমতাৰ অপব্যৱহাৰ কৰিছে, সাংবিধানিক কাঠামো ধ্বংস কৰিছে।

গাঁওবুঢ়াসকল, কাৰ্বি ছাত্ৰ সন্থাক ধন্যবাদ জ্ঞাপন কৰি ভূপেন বৰাই কয় যে আপোনালোকে যুঁজি আছে। স্থানীয় কংগ্ৰেছ দলৰ নেতাসকলে যুঁজিছে। খিলঞ্জীয়াৰ সুৰক্ষাৰ কথা কোৱা চৰকাৰে এই দাবী মানি ল'ব বুলি ভাবিছিলো। কিন্তু চৰকাৰে তেনে নকৰিলে। এম. কে যাদৱক 'বীৰাপ্লান অৱ আসাম' বুলি অভিহিত কৰি বৰাই কয় যে উচ্চতম ন্যায়ালয়ত এম. কে যাদৱৰ বিৰুদ্ধে গোচৰ চলি আছে। গ্ৰীণ ট্ৰিবিউনেলত গোচৰ চলি আছে। তেনে এজন লোকক হিমন্ত বিশ্ব শৰ্মাই বন বিভাগৰ স্পেচিয়েল চীফ ছেক্ৰেটাৰী কৰিছে। অসমৰ জনজাতিক গৃহহীন আৰু ভূমিহীন কৰিবৰ কাৰণে এই দায়িত্ব দিছে। এই কথা কংগ্ৰেছে মানি নলয়। এয়া ভোট আৰু নিৰ্বাচনৰ কথা নহয়। এয়া জীৱন মৰণৰ কথা। এই জনজাতিসকলৰ লগত কংগ্ৰেছ আছে। কংগ্ৰেছে বিধানসভাত আৰু লোকসভাত এই বিষয়টো উত্থাপন কৰিব। আমি ৰাজপথতো যুঁজিম। সেই ঠাইৰ মাটি স্পৰ্শ কৰি ভূপেন বৰাই জনজাতীয় লোকৰ হকে যুঁজ দিয়াৰ সংকল্প লয়। বৰাই কয় যে আজিৰে পৰা এই যুঁজ আপোনালোকৰ স্থানীয় যুঁজ নহয়। আজিৰে পৰা আমিও যুঁজৰ দায়িত্ব লৈছো। পূজাৰ বন্ধ খোলাৰ লগে লগে স্থানীয় প্ৰতিবাদকাৰী প্ৰতিনিধিক লৈ ৰাজ্যপালক সাক্ষাৎ কৰাৰ কথা ঘোষণা কৰিছে কংগ্ৰেছে। বিধানসভাৰ ভিতৰত আৰু লোকসভাৰ ভিতৰত এই বিষয়টো উত্থাপন কৰিব কংগ্ৰেছে। যদি ৰাজ্যপালে সমস্যাৰ সমাধান নকৰে তেন্তে বিৰোধী দলপতি ৰাহুল গান্ধীক স্মাৰক পত্ৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলিও কয় বৰাই। আমি ৰাহুল গান্ধীৰ সৈতে কথা পাতি ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিক এই কথা অৱগত কৰাৰ ব্যৱস্থা কৰিম। জনজাতিৰ সুৰক্ষাৰ স্বাৰ্থত কংগ্ৰেছে সকলো কাম কৰি যাব। প্ৰয়োজনত উচ্চতম ন্যায়ালৰ কাষ চাপিম। কংগ্ৰেছৰ বিখ্যাত অধিবক্তা আছে। বিখ্যাত অধিবক্তাৰ দ্বাৰা জনজাতীয় লোকসকলৰ সুৰক্ষাৰ স্বাৰ্থত উচ্চতম ন্যায়ালয়ৰ কাষ চাপিম। ইপিনে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে এয়া অবৈধ। মাটিখিনি বন বিভাগৰ নে ব্যক্তিগত মাটি নে ষষ্ঠ অনুসূচীৰ মাটি সেয়া ঠিৰাং নহয়। এই সিদ্ধান্ত নকৰাকৈ আসাম মিনাৰেল ডেভলপমেন্ট কৰ্পোৰচনে মুখ্যমন্ত্ৰীয়ে ২০২৮ চনত বিধানসভাত দিয়া বক্তৃতা অনুসৰি

মাটিখিনি নিলাম কৰিব খুজিছে। তাৰ বাবে বন বিভাগৰ আপত্তিবিহীন পত্ৰ লাগিব। ইপিনে শেহতীয়াকৈ ১৯৯৬ চনৰ এক ৰায়ৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ উদাহৰণ দি দেৱব্ৰত শইকীয়াই কয় যে বন বিভাগৰ অধীনত থকা এলেকাই বনভূমি নহয়। য'ত গছ-গছনি বহুত আছে সেয়া বনভূমি বুলি কৈছিল উচ্চতম ন্যায়ালৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে। এনে ৰায় দিয়াৰ পাছতো পাৰিপাৰ্শ্বিকতাৰ অধ্যয়ন, সামাজিক দিশ অধ্যয়ন নকৰাকৈ মাটি দিবৰ বাবে যো-জা আৰু খনন কৰিবলৈ দিয়াটো ভুল। মাটি লোৱাত অসুবিধা নাই। কিন্তু আলোচনা আৰু বুজাপৰাৰ মাজেৰে ল'ব লাগে। একপক্ষীয় জোৰ জবৰদস্তি ব্ৰিটিছৰ ব্যৱস্থাৰে মাটি ল'ব খুজিছে। কিন্তু তেনে নিয়ম ভাৰতৰ সংবিধানত নাই। সেই কাৰণে আমাৰ নেতা ৰাহুল গান্ধীয়ে সংবিধান ৰক্ষাৰ কথা কয়। সংবিধান ৰক্ষা হ'লেহে জনজাতীয় লোকৰ অধিকাৰ সুৰক্ষিত হ'ব। এনেদৰে নিবিদা কৰাটো অবৈধ। বিৰোধী দলপতিগৰাকীয়ে আৰু কয় যে পূৰ্বে ডালমিয়া চিমেণ্টক মাটি দিয়াক লৈ উচ্চতম ন্যায়ালয়ত গোচৰ চলি আছে। উচ্চতম ন্যায়ালয়ৰ প্ৰতিনিধিয়ে এই ঠাই পৰিদৰ্শন কৰি গ'ল। কিন্তু অসম চৰকাৰে উদক ভেটা ৰখীয়া কৰিলে। এম. কে যাদৱক অসমৰ সৰ্বকালৰ দুৰ্নীতিগ্ৰস্ত বিষয়া আখ্যা দি ৰাষ্ট্ৰপতিলৈ পত্ৰ লিখি বন বিভাগৰ স্পেচিয়েল চিফ চেক্ৰেটাৰী কৰিব নালাগে বুলি কোৱাৰ কথাও কয় শইকীয়াই। এইগৰাকী যাদৱৰ বিৰুদ্ধে কাজিৰঙাত হাতী গণনাৰ নামত ঘোচ খোৱা, ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ নামত লুণ্ঠন কৰাৰ দৰে বহু অভিযোগ থকা বুলিও কয় বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। এইগৰাকী বিষয়াৰ বহু গোচৰত অসম চৰকাৰক শ্ব'কজ কৰি আছে বুলি দাবী কৰে শইকীয়াই। আজি কংগ্ৰেছ নেতৃত্বক জনজাতীয় প্ৰতিবাদকাৰীয়ে গঠন কৰা সমিতি, স্থানীয় গাঁওবুঢ়াই স্মাৰক পত্ৰ প্ৰদান কৰে। কংগ্ৰেছ নেতৃত্বৰ সন্মুখত স্থানীয় জনজাতীয় লোকে শপত খাই কয় যে প্ৰাণ গ'লেও আদানি গ্ৰুপক ডিমা হাচাওৰ ৯ হাজাৰ বিঘা ভূমি এৰি নিদিয়ে। পূৰ্বে উমৰাংছুৰ বহু পৰিয়ালক চিমেণ্ট কোম্পানীৰ বাবে উচ্ছেদ কৰা হৈছিল। এইবাৰ আদানি গোটক খনন কৰিবৰ বাবে উচ্ছেদ কৰিবলৈ যো-জা চলোৱাৰ পূৰ্বেই ৰাইজে আন্দোলন আৰম্ভ কৰিছে।



৯ হাজাৰ বিঘা ভূমি আদানিক গতাই দিব খোজা উমৰাংছুৰ ৯খন জনজাতীয় গাঁৱৰ লোকৰ সাক্ষাৎ কংগ্ৰেছৰ প্ৰতিনিধিৰ, বৃহস্পতিবাৰে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দেশবাসীক কন্দুৱাই পঞ্চভূতত বিলীন

চন্দ্ৰশেখৰণকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। ৰতন টাটাৰ শেষকৃত্যৰ পূৰ্বে তেওঁক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে ক্ৰিকেটাৰ শচীন তেণ্ডুলকাৰ, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেল, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ শিণ্ডে, উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়নবিছ, কংগ্ৰেছ নেতা তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সুশীল কুমাৰ শিণ্ডেৰ লগতে কেইবাগৰাকীও লোকে। উল্লেখ্য যে, বুধবাৰে নিশা মুম্বাইৰ ব্ৰীচ কেণ্ডি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰিছিল উদ্যোগপতি ৰতন টাটাই। বাৰ্ধক্যজনিত কাৰণত দীৰ্ঘদিন ধৰি অসুস্থ হৈ থাকি জীৱনৰ বিয়লি নাট সামৰা টাটাৰ বিয়োগৰ খবৰে মৰ্মাহত কৰে দেশৰ অগণন জনতাক। মানুহৰ হৈ কাম কৰি সকলোৰে হৃদয়ত একোখনকৈ ঘৰ সাজিবলৈ সক্ষম হোৱা ৰতন টাটাক শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে বিয়লি চাৰি বজালৈকে তেওঁৰ নশ্বৰ দেহ নৰিমান পইণ্টৰ নেচনেল চেণ্টাৰ ফৰ দ্য পাৰফৰ্মিং আৰ্টছত ৰখা হয়। সন্ধিয়া মুম্বাইৰ আৰক্ষীৰ গাৰ্ড অৱ অনাৰৰ পিছত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে শেষ ৰীতি-নীতি সম্পন্ন হয় দেশৰ প্ৰসিদ্ধ পুঁজিপতিগৰাকীৰ। ইফালে শ্মশানত উপস্থিত থকা এগৰাকী ধৰ্মগুৰুৱে জানিবলৈ দিয়া মতে, পাৰ্ছী পৰম্পৰা অনুসৰি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হৈছে ৰতন টাটাৰ। তেওঁ কয় যে শেষ ৰীতি-নীতিৰ অন্তত দক্ষিণ মুম্বাইৰ কোলাবাত থকা প্ৰয়াত উদ্যোগপতিগৰাকীৰ বাংলোত পাৰ্ছী পৰম্পৰা অনুসৰি তিনিদিন ধৰি ৰীতি-নীতি পালন কৰা হ'ব। উল্লেখ্য যে, বিশ্বৰ অন্যতম প্ৰভাৱশালী উদ্যোগপতি ৰতন টাটা বিখ্যাত আছিল তেওঁৰ শালীনতা আৰু সৰলতাৰ বাবে। ভাৰতৰ সৰ্ববৃহৎ উদ্যোগিক গ্ৰুপৰ অধ্যক্ষ হোৱাৰ পিছতো কোনো কোটিপতিৰ তালিকাতে সন্নিৱিষ্ট হোৱা নাছিল তেওঁৰ নাম। ছয়খন মহাদেশৰ ১০০খনতকৈও অধিক দেশত বিয়পি থকা ৩০টাতকৈও অধিক কোম্পানীৰ প্ৰতিষ্ঠাপক আছিল তেওঁ। কিন্তু তাৰ পিছতো এগৰাকী সন্তৰ দৰে সাধাৰণভাৱে জীৱন যাপন কৰিছিল ৰতন টাটাই। লক্ষণীয় যে, ৰতন টাটাৰ মৃত্যুৰ পিছত গ্ৰুপটোৰ হোল্ডিং কোম্পানী টাটা ছন্সৰ ৬৬ শতাংশৰ স্বত্বাধিকাৰ টাটা ট্ৰাষ্টৰ শীৰ্ষ পদ খালী হৈ পৰিছে। ৰতন টাটাৰ পিছত তেওঁৰ সম্পৰ্কীয় ভাতৃ নোৱেল টাটাক প্ৰবল দাবীদাৰ হিচাপে দেখা গৈছে। ষ্টীল আৰু ঘড়ী কোম্পানী টাইটানৰ উপাধ্যক্ষ নোৱেল টাটা। তেওঁৰ মাতৃ আৰু সতি-সন্ততি ছিমন টাটা বৰ্তমান ট্ৰেণ্ট, ভল্টাছ, টাটা ইনভেষ্টমেণ্ট কৰ্পৰেশ্যন আৰু টাটা ইণ্টাৰনেশ্যনেলৰ অধ্যক্ষ। মন কৰিবলগীয়া যে, ৰতন টাটাৰ কনিষ্ঠ ভাতৃ জিমি টাটা পাৰিবাৰিক ব্যৱসায়ৰ পৰা আতৰি আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২০২৪ বৰ্ষৰ সাহিত্যৰ নোবেল হান

কোৰিয়ান ভাষা। তথ্য-প্ৰযুক্তিৰ লগতে চিনেমা-ছিৰিজেৰে সমগ্ৰ বিশ্বকে মন্ত্ৰমুগ্ধ কৰি ৰখাৰ পিছত সাহিত্যৰ ক্ষেত্ৰখনতো এইবাৰ বিশ্বজয় কৰিবলৈ সমৰ্থ হৈছে কোৰিয়ান ভাষাই। যিসময়ত ভাৰতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষা কোৱা লোকসকলে নিজ মাতৃভাষাৰ প্ৰতি পিঠি দি ইংৰাজীৰ প্ৰতি আকৃষ্ট হ'বলৈ আৰম্ভ কৰিছে তেনে সময়তে মাতৃভাষা কোৰিয়ান ভাষাৰে সাহিত্যৰ সাধনা কৰা ৫৩ বছৰীয়া লেখিকা হান কাঙে লাভ কৰিছে ২০২৪ বৰ্ষৰ সাহিত্যৰ নোবেল। দ্য ছুইডিছ একাডেমীয়ে জনোৱা মতে ঐতিহাসিক আঘাতেৰে পৰিপূৰ্ণ ঘটনাৰাজিক সাহসিকতাৰে তুলি ধৰি ক্ষণস্থায়ী মানৱ জীৱনৰ ভংগুৰতাক প্ৰকাশ কৰা গভীৰ কাব্যৰে ভৰপূৰ গদ্যৰ বাবে কাঙলৈ আগবঢ়োৱা হৈছে এই সন্মান। ইয়াৰ লগে লগে দক্ষিণ কোৰিয়ান হিচাপে এই পুৰস্কাৰ জয় কৰি ইতিহাস ৰচনা কৰে কাঙে। আনহাতে এছিয়া মহাদেশৰ সাহিত্য নোবেল জয়ী প্ৰথমগৰাকী মহিলা লেখক হিচাপেও পৰিগণিত হয় হান কাং। ১৯৭০ চনত দক্ষিণ কোৰিয়াৰ গোয়াংজু চহৰত জন্মগ্ৰহণ কৰা হান কাঙে ৯ বছৰ বয়সতে পৰিয়ালসহ ৰাজধানী ছিউলত বসতি কৰিবলৈ লয়। সৰুৰে পৰা সাহিত্যৰ এক পৰিৱেশ লাভ কৰিছিল কাঙে। তেওঁৰ পিতৃও এগৰাকী স্বনামধন্য ঔপন্যাসিক। লেখা-মেলাৰ লগতে হান কাঙে শিল্প আৰু সংগীতৰ প্ৰতিও গভীৰভাৱে আকৃষ্ট হৈ পৰিছিল আৰু সাহিত্যকৰ্মত সেয়া প্ৰতিফলিত হোৱাও দেখা গৈছে। ১৯৯৩ চনত হান কাঙে কবিতাৰে সাহিত্যিক জীৱনৰ আৰম্ভণি কৰে। সেই কবিতাটো প্ৰকাশ পাইছিল এখন স্থানীয় আলোচনীত। ইয়াৰ পিছত ১৯৯৫ চনত তেওঁৰ প্ৰথম গল্প সংকলন 'লাভ অব ইয়োছু' প্ৰকাশিত হয়। পৰৱৰ্তী সময়ত এখনৰ পিছত এখনকৈ তেওঁৰ উপন্যাস আৰু চুটিগল্পৰ সংকলন প্ৰকাশ পাবলৈ আৰম্ভ কৰে। তেওঁৰ উল্লেখযোগ্য এখন উপন্যাস হৈছে ২০০২ চনত প্ৰকাশিত 'ইউৰ ক'ল্ড হেণ্ডছ'। এই উপন্যাসখনত মানৱদেহৰ অংগ-প্ৰত্যংগ আৰু ব্যক্তিত্বৰ মাজত থকা দ্বন্দৰ কথা তুলি ধৰা হৈছে। হান কাঙে আন্তৰ্জাতিক সাফল্য লাভ কৰে ২০০৭ চনত প্ৰকাশিত উপন্যাস 'চেইছিগজুইজা'ৰ জৰিয়তে। তিনিটা খণ্ডৰ কোৰিয়ান ভাষাত লিখা এই উপন্যাসখন 'দ্য ভেজিটেৰিয়ান' নামেৰে ইংৰাজীলৈ অনুবাদ কৰে দেবৰা স্মিথে। এই উপন্যাসখনৰ প্ৰধান চৰিত্ৰ হৈছে যুৱতী ইয়ং-হাই। হাইয়ে যেতিয়া খাদ্যাভাষক লৈ থকা সামাজিক নিয়মক প্ৰত্যাহ্বান জনায় তেতিয়াই তেওঁ সন্মুখীন হ'বলগীয়া হয় মানুহৰ নিষ্ঠুৰতাৰ। মানুহৰ নিষ্ঠুৰতাক লৈ আতংকিত হৈ পৰা তৰুণী হাইয়ে এজোপা ওখ গছৰ দৰে জীয়াই থাকিবলৈ অব্যাহত ৰখা সংগ্ৰামৰ কথা উপন্যাসখনত তুলি ধৰা হৈছে। এই উপন্যাসখনৰ বাবে কাঙে লাভ কৰিছিল বুকাৰ পুৰস্কাৰ। হান কাঙৰ সাহিত্যৰাজিত প্ৰাচ্য দৰ্শনৰ সৈতে সম্পৰ্ক থকা ধৰণেই শাৰীৰিক আৰু মানসিক যন্ত্ৰণা গভীৰভাৱে মিলি যোৱা দেখা যায়। তেওঁৰ প্ৰতিটো ৰচনাতে মানৱ জীৱনৰ ভংগুৰতা প্ৰকাশ পাই আহিছে। জীৱন যে ক্ষণস্থায়ী সেই উপলব্ধিৰে তেওঁ প্ৰতিটো লেখাতে দেহ, আত্মা, জীৱিত আৰু মৃতৰ মাজৰ সম্পৰ্কক অনন্যাভাৱে তুলি ধৰিছে। কাব্যময় আৰু পৰীক্ষামূলক লেখন শৈলীৰে হান কাং হৈ পৰিছে আধুনিক গদ্যৰ এগৰাকী নতুন উদ্ভাৱক। উল্লেখ্য যে বিগত বৰ্ষত সাহিত্যৰ নোবেল লাভ কৰিছিল নৰৱেৰ নাট্যকাৰ জন ফছ'ই। সাহিত্যৰ নোবেলৰ ক্ষেত্ৰত সততে পশ্চিমৰ পুৰুষ সাহিত্যিকেহে প্ৰাধান্য পাই বুলি ছুইডিছ একাডেমী বিগত কিছুবছৰ ধৰি ব্যাপক সমালোচনাৰ সন্মুখীন হৈ আহিছিল। এই পৰ্যন্ত মাত্ৰ ১৭ গৰাকী নাৰীয়েহে এই সন্মান লাভ কৰিছে। কিন্তু ২০১৮ চনৰ মী টু কেলেংকাৰিৰ পিছৰে পৰা ছুইডিছ একাডেমীৰ ভিতৰচ'ৰাত ব্যাপক সংস্কাৰ সাধন হোৱাৰ লগতে সংস্থাটোৱে বিশ্বব্যাপী তথা লিংগসমতাৰ ভিত্তিত সাহিত্যৰ নোবেল পুৰস্কাৰ প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। তেতিয়াৰে পৰা এতিয়ালৈ বিগত ৬টা বছৰত একাডেমীয়ে হান কাঙসহ চাৰিগৰাকী মহিলা লেখিকাক এই পুৰস্কাৰেৰে সন্মানিত কৰিছে। বাকী তিনিগৰাকী হৈছে ফ্ৰান্সৰ এনি এৰনো, মাৰ্কিন কবি লুইছ গ্লুক আৰু পোলেণ্ডৰ ওলগা টোকাৰচুক। হান কাঙক এতিয়া অহা ১০ ডিচেম্বৰত বিজ্ঞানী তথা নোবেল পুৰস্কাৰৰ প্ৰতিষ্ঠাতা আলফ্ৰেড নোবেলৰ মৃত্যুবাৰ্ষিকীত ছুইডেনৰ সম্ৰাট ষষ্ঠদশ কাৰ্ল গুস্তাভে ষ্টকহোমৰ এক বৰ্ণাঢ্য অনুষ্ঠানত নোবেল পুৰস্কাৰ প্ৰদান কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ওমৰ আব্দুল্লা বিধায়িনী নেতা

৮ অক্টোবৰত ঘোষিত ফলাফল অনুসৰি কংগ্ৰেছ আৰু নেচনেল কনফাৰেন্সে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। ধাৰা ৩৭০ আঁতৰোৱাৰ পাছৰে পৰা ১০ বছৰে ৰাজ্যপালে চলাই আছিল জম্মু আৰু কাশ্মীৰ। নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰাত চৰকাৰ গঠনৰ পথ স্পষ্ট হৈছিল। তাৰ মাজতে আজি কংগ্ৰেছ আৰু নেচনেল কনফাৰেন্সৰ বিধায়কৰ উপস্থিতিত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ওমৰ আব্দুল্লাক নেতা নিৰ্বাচিত কৰা হয়। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হ'ব ওমৰ আব্দুল্লা। ৪ জন নিৰ্দলীয় বিধায়কেও ইণ্ডিয়া মিত্ৰজোঁটৰ চৰকাৰক সমৰ্থন কৰাৰ ঘোষণা কৰিছে। নেচনেল কনফাৰেন্স আৰু কংগ্ৰেছ মিত্ৰজোঁটৰ বৰ্তমান বিধায়কৰ সংখ্যা ৫৬ জনলৈ বৃদ্ধি হৈছে। নেচনেল কনফাৰেন্সৰ ৪৬, কংগ্ৰেছৰ ৬ আৰু চাৰি নিৰ্দলীয়ই সমৰ্থন আগবঢ়াইছে। ৰাজ্যখনত চৰকাৰ গঠনৰ বাবে ৪৬ জন বিধায়কৰহে প্ৰয়োজন। সংখ্যা বৃদ্ধি হোৱাত এতিয়া জম্মু-কাশ্মীৰত গঠন হ'বলগীয়া চৰকাৰখন শক্তিশালী হৈ পৰিব।

# অনন্য ৰূপত ৰবীন্দ্ৰ নগৰ দুৰ্গা পূজাৰ মণ্ডপ

**ই-সংবাদ, কোকৰাঝাৰ, ১০ অক্টোবৰঃ** অসমীয়া আৰু বাংলা ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃত লাভ কৰাত অনুপ্ৰাণিত হৈয়ে কোকৰাঝাৰৰ ৰবীন্দ্ৰ নগৰত ৰবীন্দ্ৰ নগৰ উন্নয়ন সমিতিয়ে সাজি উলিয়াইছে এক ব্যতিক্ৰমী "মাতৃভাষা" পূজা মণ্ডপ। কোকৰাঝাৰৰ এই ব্যতিক্ৰমী দুৰ্গা পূজাৰ মূল তোৰণখন আয়োজক সমিতি অৰ্থাৎ ৰবীন্দ্ৰ নগৰ উন্নয়ন সমিতিয়ে নিৰ্মাণ কৰিছে কিতাপৰ মেটমৰা সম্ভাৰেৰে। অকল ইমানেই নহয় পূজা মণ্ডপটো "মাতৃভাষা" নামেৰে নামাকৰণ কৰি মণ্ডপৰ ভিতৰত মনৰ ভাৱ প্ৰকাশ কৰিবলৈ মাতৃভাষাৰ বাদে আন একোৱে নাই, মাতৃভাষাৰ পাঠদানে ইতিহাস, পৰম্পৰা, মূল্যবোধ সংৰক্ষণ কৰে আদি ইত্যাদি বিভিন্ন বাণীৰে চিত্ৰ অংকিত কৰি মা দুৰ্গাৰ বন্দনা কৰিছে ৰবীন্দ্ৰ নগৰবাসীয়ে। ইয়াৰোপৰি মণ্ডপৰ ভিতৰত অৰুণোদয়, বিস্ময়, কুঁহিপাত, মিৰিজীয়ৰী, অসীমত যাৰ হেৰাল সীমা, অসমীয়া প্ৰতিদিন কাকতকে আদিকে ধৰি বড়ো, বাংলা সাহিত্যৰো প্ৰদৰ্শন কৰা হৈছে। তদুপৰি পূজা মণ্ডপৰ ভিতৰত ডিজে পৰিবৰ্তে সুমধুৰ গীত বজোৱা হৈছে। মণ্ডপৰ ভিতৰত সুমধুৰ অসমীয়া, বঙালী গীত বাজি থকাৰ উপৰিও ঘোষকে মাতৃভাষাৰ বিষয়বস্তুৰ ওপৰত সমুধুৰ কণ্ঠৰে মাতৃভাষাৰ ঐতিহ্য আৰু গৌৰৱময় গাঁথাৰ বিষয়ে কৈ থাকে। মাতৃভাষা যে আমাৰ উশাহ, মাতৃভাষা যে আমাৰ প্ৰাণ সেয়া সোঁৱৰাই দিবলৈ পূজা কমিটিয়ে ব্যৱহাৰ কৰিছে ৰেকৰ্ডেড অডিঅ'। যান্ত্ৰিকতাময় পূজামণ্ডপৰ ডিজেৰ উচ্চ প্ৰাৱল্যৰ সংগীতৰ বিপৰীতে, পশ্চিমীয়া দেশৰ বিল্ডিং, ষ্টাৰ্কচাৰ অনুসৰণ কৰি মূল মণ্ডপ নিৰ্মাণ কৰাৰ বিপৰীতে কোকৰাঝাৰত অকল কিতাপ, কাঠপেঞ্চিল, চিয়াহীৰ বটলেৰে অন্যন্য ৰূপত সজাই তোলা কোকৰাঝাৰৰ ৰবীন্দ্ৰ নগৰৰ মাতৃভাষাৰ পূজা মণ্ডপে সকলোৰে দৃষ্টি আকৰ্ষন কৰিছে। এই সন্দৰ্ভত দুৰ্গাপূজাত মাতৃভাষা মণ্ডপৰ পৰিকল্পনাকাৰী জয় মণ্ডলে কয় যে মাতৃভাষাক থীম হিচাপে লৈ পূজাৰ মণ্ডপ নিৰ্মাণ কৰাৰ পৰিকল্পনা আগৰে পৰা আছিল। অসমীয়া আৰু বঙালী ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ পিছতে তেওঁলোকে বিষয়টো চূড়ান্ত কৰে আৰু পূজাৰ মণ্ডপটো সম্ভৱপৰ মাতৃভাষাৰ পৰশ দিবলৈ তেওঁলোকে চেষ্টা কৰিছে। মাতৃভাষাই হ'ল শ্ৰেষ্ঠ ভাষা, কিন্তু আজিকালি মাতৃভাষাৰ পৰিবৰ্তে আন প্ৰভাৱশালী ভাষাকহে গুৰুত্ব দিয়ে বুলি মন্তব্য কৰি জয় মণ্ডলে কয় যে মাতৃভাষাৰ দ্বাৰা মনৰ ভাৱ যেনেদৰে প্ৰকাশ কৰিব পাৰি, আন ভাষাৰ দ্বাৰা নোৱাৰি। সকলোকে নিজৰ মাতৃভাষাৰ ওপৰত গুৰুত্ব দিবলৈকো আহ্বান জনাই জয় মণ্ডলে।

## ভৱিষ্যতে এনে দুষ্কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ সকিয়নী

# আমগুৰি আছুত খেলিমেলি, আহ্বায়ক সমিতিত নাম দিয়াক লৈ অসন্তুষ্ট তিনি পদত্যাগী নেতা

**ই-সংবাদ, আমগুৰি ১০ অক্টোবৰঃ** সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত আমগুৰি আঞ্চলিক সমিতি ভংগ কৰি নতুন আহ্বায়ক সমিতি গঠন কৰ হৈছে। সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকা আৰু সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়াই এক বিবৃতিযোগে এই কথা উল্লেখ কৰিছে। আছুৰ জিলা নেতৃত্বই জানিবলৈ দিয়া মতে ছাত্ৰ সন্থা কঠোৰ অনুশাসন আৰু নিয়মানুবৰ্তিতাৰে সাংবিধানিক গণ্ডীৰ মাজেৰে পৰিচালিত এক সামাজিক সংগঠন। আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ বিভিন্ন ধৰণৰ সাংগঠনিক বিশৃংখলতা সন্দৰ্ভত আৰু বিশেষভাৱে আমগুৰিৰ আউনীআটীয় হেমচন্দ্ৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদস্থিত শ্বহীদ বেদীৰ প্ৰতি অৱজ্ঞাসূচক ব্যৱহাৰ জিলা ছাত্ৰ সন্থাৰ দৃষ্টিগোচৰ হৈছিল। যাৱতীয় পদক্ষেপ গ্ৰহণৰ নিৰ্দেশনা প্ৰদানৰ পাছতো ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে আঞ্চলিক ছাত্ৰ সন্থাৰ শীৰ্ষ নেতৃত্বই নিজ খেয়াল খুচিমতে সংগঠনৰ মজিয়াত অনাকাংক্ষিত বিষয় আলোচনা কৰি সাংগঠনিক স্থিতি দুৰ্বল কৰি তোলে। যাৰ বাবে আঞ্চলিক ছাত্ৰ সন্থাখন তাৎক্ষণিকভাৱে বলবৎ হোৱাকৈ ভংগ কৰা হৈছে। আমগুৰি আঞ্চলিক ছাত্ৰ সন্থা পুনৰ গঠনৰ বাবে ৰাজদ্বীপ কাকতি, দীপাংকৰ বৰুৱা, অল্লানজিৎ দাস, ইমৰান আলি, অংকুৰ ৰায়, সুমন্ত খাৰিয়াক আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰি এমাহৰ ভিতৰত সমিতি গঠনৰ নিৰ্দেশ দিয়ে। শ্বহীদ বেদী তাৎক্ষণিকভাৱে মেৰামতি কৰাৰ ব্যৱস্থা গ্ৰহণৰ দায়িত্ব দিয়া বুলি বিবৃতিটোত জানিবলৈ দিছে। আনহাতে, প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক, অল্লানজ্যোতি দাস, প্ৰাক্তন সাংগঠনিক সম্পাদক ইমৰান আলি আৰু প্ৰাক্তন মুখ্য সাংগঠনিক সম্পাদক সুমন্ত কুমাৰ খেৰিয়াই তেওঁলোকৰ অজ্ঞাতে শিৱসাগৰ জিলা ছাত্ৰ সন্থাই তেওলোকৰ নাম আহ্বায়ক সমিতিত অন্তৰ্ভুক্ত কৰা কাৰ্যত তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বৃবিতিত আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ সদ্য পদত্যাগী ছাত্ৰ নেতা কেইগৰাকীয়ে কয় যে জিলা ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক আৰু কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য সমীৰণৰ স্বেচ্ছাচাৰিতাৰ বাবেই আমগুৰি আঞ্চলিক ছাত্ৰ সন্থাই সমুহীয়া পদত্যাগ কৰাৰ পাছতো জিলা সভাপতি-সম্পাদকে হকে বিহকে ছাত্ৰ নেতা তিনিগৰাকীৰ নাম ব্যৱহাৰ কৰাটো অতি দুৰ্ভাগ্যজনক আৰু লজ্জাজনক কথা। ভৱিষ্যতে এনে দুষ্কাৰ্য্যৰ পৰা বিৰত থাকিবলৈ বৃবিতত সকীয়াই দিছে।



গুৱাহাটীৰ বিভিন্ন ঠাইত আয়োজিত পূজা উৎসৱস্থলীত মুখ্যমন্ত্ৰী

# শিৱসাগৰত দুৰ্গা পূজাৰ ভিৰৰ মাজতেই সাংবাদিকৰ বাইক চুৰি

**ই-সংবাদ, শিৱসাগৰ, ১০ অক্টোবৰঃ** শিৱসাগৰ চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ পৰা বিলাসী বাইক, স্কুটী গভাইত চোৰৰ দলে চুৰি কৰি নিয়াৰ ঘটনাই তীব্ৰ চাঞ্চল্য সৃষ্টি কৰি থকাৰ সময়তেই আজি শিৱসাগৰ চহৰৰ মাজমজিয়াৰ পৰাই পুনৰ চুৰি হ'ল এখন বাইক। শিৱসাগৰ আৰক্ষীয়ে দুৰ্গা পূজা উপলক্ষে গঢ়ি তোলা কটকটীয়া নিৰাপত্তা ব্যৱস্থাক ভেঙুচালি কৰি চহৰৰ মাজমজিয়াৰ ঐতিহাসিক দেৱীদলৰ সন্মুখৰ পৰাই সংবাদ সংগ্ৰহত ব্যস্ত থকা সাংবাদিকৰ বাইক গভাইত চোৰৰ দলে চুৰি কৰি নিয়াৰ ঘটনাই সমগ্ৰ জিলাখনতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি শিৱসাগৰ ঐতিহাসিক দেৱীদললৈ আজি পুৱা প্ৰায় ১০ বজাত দুৰ্গা পূজাৰ বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা নিউজ লাইভৰ সাংবাদিক সত্যজিৎ নাথৰ এএছ ০৪ এন ৩৯৬৫ নম্বৰৰ ৰঙা ৰঙৰ গ্লেমাৰ বাইকখন কোনো গভাইত চোৰে দিন দুপৰতে চুৰ কৰি লৈ যায়। ঘটনা সন্দৰ্ভত শিৱসাগৰ সদৰ আৰক্ষী থানাত সাংবাদিক সত্যজিৎ নাথে লিখিত অভিযোগ দাখিল কৰিছে যদিও বাতৰি লিখাৰ পৰলৈকে বাইকখনৰ কোনো সন্ধান ওলোৱা নাই। উল্লেখযোগ্য যে ৪৮ ঘণ্টাৰ পূৰ্বে ভটীয়াপাৰত থকা এটা নিচামুক্তি কেন্দ্ৰৰ চৌহদৰ পৰা চুৰি কৰি নিয়া এখন ৰয়েল এনফিল্ড বুলেট বাইক যোৰহাটৰ উৎপল দাস নামৰ এটা গভাইত চোৰৰ জিম্মাৰ পৰা জয়সাগৰ আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। তেনেস্থলত পুনৰ ২৪ ঘণ্টাৰ পিছতেই শিৱসাগৰ চহৰৰ মাজমজিয়াৰ পৰাই বাইক চুৰি হোৱাৰ ঘটনাই শিৱসাগৰত যে এতিয়াও এটা গভাইত চোৰৰ দল সক্ৰিয় হৈ আছে সেইকথাকে প্ৰমাণ কৰিছে। আৰক্ষীয়ে প্ৰয়োগ কৰা শূন্য সহনশীল নীতি প্ৰয়োগ নকৰা বাবেই শক্তিশালী হৈ উঠা গভাইত চোৰৰ দলে শিৱসাগৰ আৰক্ষীক বুঢ়া আঙুলি দেখুৱাই দিন দুপৰতে বাইক চুৰি কৰি নিবলৈ সুবিধা পাইছে বুলি জিলাখনত সৰৱ চৰ্চা চলিছে।




## মুকলি ৰাজহুৱা দুৰ্গা মণ্ডপৰ আটকধুনীয়া তোৰণ

# সপ্তমী পূজা উপলক্ষে উখল মাখল ওদালগুৰিৰ পূজা মণ্ডপ

**ই-সংবাদ, ওদালগুৰি ১০ অক্টোবৰঃ** আজি মহাসপ্তমী পূজা। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ওদালগুৰিৰ দুৰ্গা পূজা মণ্ডপসমূহতো মহাসপ্তমী উপলক্ষে ভক্তৰ ভিৰত উখল-মাখল পৰিৱেশে বিৰাজ কৰে। ওদালগুৰি চহৰৰ প্ৰায় ১০ খন পূজা মণ্ডপতে পুৱাৰ পৰা ভক্ত ৰাইজৰ ভিৰ পৰিলক্ষিত হয়। পুৰোহিতৰ মন্ত্ৰোস্বৰণেৰে প্ৰতিখন পূজাস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰা দেখা যায়। ইফালে আজি সপ্তমীৰ দিনটোতে ওদালগুৰি চহৰৰ ৰাজহুৱা দুৰ্গা পূজা মণ্ডপৰ মূল তোৰণখন মুকলি কৰা হয়। সমিতিৰ আহ্বানমৰ্মে ওদালগুৰিৰ বিশিষ্ট ব্যৱসায়ী সমাজকৰ্মী মিনন মোছাহাৰীয়ে নিজৰ স্বৰ্গীয় ভাতৃ অঞ্জালু মোছাহাৰীৰ সোঁৱৰণত প্ৰায় দহ লক্ষাধিক টকা ব্যয় সাপেক্ষে নিৰ্মিত তোৰণখন আজি ৰাইজৰ বাবে মুকলি কৰা হয়। এই সন্দৰ্ভত মোছাহাৰীয়ে কয়, "এয়া মোৰ সৌভাগ্য। ওদালগুৰি ৰাজহুৱা দুৰ্গাপূজা মণ্ডপৰ মূল তোৰণখনৰ বহু প্ৰয়োজন আছিল। সমিতিখন যোৱাবেলি দুৰ্গাপূজাৰ সময়ছোৱাত মোক এই বিষয়ে অৱগত কৰাত মই নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিলো। সেই প্ৰতিশ্ৰুতি অনুসৰিয়েই আজি এই তোৰণখন নিৰ্মাণ কৰি ৰাইজৰ বাবে মুকলি কৰা হয়।" ইফালে পূজা উদযাপন সমিতিয়েও তেওঁলোকৰ দীৰ্ঘদিনীয়া প্ৰয়োজন এটা পূৰ হোৱা বুলি উল্লেখ কৰি মোছাহাৰীক ধন্যবাদ জ্ঞাপন কৰে। ইফালে চহৰখনৰ কেইৰাখনো পূজাস্থলীত আটকধুনীয়া কাৰুকাৰ্যৰে মণ্ডপ নিৰ্মাণ কৰা পৰিলক্ষিত হয়। একপ্ৰকাৰ কবলৈ গ'লে দূৰ্গা পূজা উপলক্ষে উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে দুৰ্গা পূজা মণ্ডপ সমূহত।

# ডুমডুমাত গুৰুজনাৰ জন্মোৎসৱ

**ই-সংবাদ ডুমডুমা, ১০ অক্টোবৰঃ** অহা ১৩, ১৪ আৰু ১৫ অক্টোবৰত তিনিদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ ডুমডুমাৰ আজাড ৰোডস্থিত নামঘৰ প্ৰাংগণত উদযাপন কৰিবলৈ প্ৰস্তুতি চলাই থকা হৈছে। ১৩ অক্টোবৰৰ পুৱা ৪ বজাত ঊষা কীৰ্তনেৰে কাৰ্য্যসূচীৰ আৰম্ভ হ'ব। তাৰ পিছতে ৯:৩০ বজাত পতাকা উত্তোলন কৰিব ডুমডুমা নামঘৰ পৰিচালনা সমিতিৰ সভাপতি মৃগেন শইকীয়াই। ১০:৩০ বজাত আই আৰু বাপু সকলৰ নাম-প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ পিছত সন্ধিয়া ৬ বজাত নামঘৰ প্ৰাঙ্গণৰ লগতে ঘৰে-ঘৰে বন্তি প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া ৭ বজাৰ পৰা বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৪ অক্টোবৰৰ পুৱা ১১ বজাৰ পৰা মহিলা কলৰ মাজত দিহা-নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৭:৩০ বজাৰ পৰা সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। 'ক' তথা উচ্চ শাখা (সপ্তম শ্ৰেণীৰ উৰ্দ্ধৰ সকলো স্তৰৰ) আৰু 'খ' তথা নিম্ন শাখাত (দ্বিতীয় শ্ৰেণীৰ পৰা ষষ্ঠ শ্ৰেণীলৈ) সত্ৰীয়া নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ বিপৰীতে 'ক' (উচ্চ শাখা: নৱম শ্ৰেণীৰ উৰ্দ্ধৰ সকলো স্তৰৰ) আৰু 'খ' (নিম্ন শাখা: অষ্টম শ্ৰেণীলৈ) শাখাত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৫ অক্টোবৰৰ পুৱা ৯:৩০ বজাত নাম-প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণৰ পিছতে ১১ বজাত ভাগৱতসহ শোভাযাত্ৰা উলিওৱা হ'ব। সন্ধিয়া ৭:৩০ বজাৰ পৰা স্থানীয় শিল্পীৰ দ্বাৰা 'কুৰুসন্ধ্যা' নামৰ ভাওনা প্ৰদৰ্শনেৰে তিনিদিনীয়া কাৰ্য্যসূচীৰ সামৰণি পৰিব। জন্মোৎসৱৰ সৈতে সংগতি ৰাখি ২৯ ছেপ্টেম্বৰত ডুমডুমা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰাংগণত 'ক' (পঞ্চমৰ পৰা অষ্টম শ্ৰেণীলৈ) আৰু 'খ' শাখাত (নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ) কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাৰ প্ৰশ্নসমূহ আছিল শঙ্কৰদেৱৰ সন্দৰ্ভত। দিহানাম প্ৰতিযোগিতাৰ প্ৰতিটো দলত বাদ্যযন্ত্ৰীসহ সদস্যৰ সংখ্যা ১২গৰাকীৰ অধিক হ'ব নোৱাৰিব আৰু যোগদানৰ শেষ তাৰিখ হৈছে ১২ অক্টোবৰ।

## নতুন ৰজা সুশীল কোঁৱৰ

# টুপাকুচিৰ ৰজাৰ অভিষেকক লৈ প্ৰতিক্ৰিয়া অব্যাহত

**ই-সংবাদ, মৰিগাঁও, ১০ অক্টোবৰঃ** মধ্য অসমৰ ঐতিহাসিক পাঁচোৰজা সাতোৰজাৰ ৰাজ্য টুপাকুচিৰ ৰজাৰ ৰাজ অভিষেক কাৰ্যসূচীক কোঁচ-ৰাজবংশীয় পৰম্পৰা আখ্যা দিয়াক লৈ তিৱা সংগঠনসমূহৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। পৰিস্থিতি এনে পৰ্যায় পাইছে যে তিৱা জনগোষ্ঠীয় সংগঠনে এই ৰজাক মানি নোলোৱাৰ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰি সুশীল কোঁৱৰক নতুনকৈ টুপাকুচি ৰাজ্যৰ ৰজা পতাৰ বৃহৎ আয়োজন কৰা দেখিবলৈ পোৱা গৈছে। উল্লেখ্য যে, আহোম আৰু তিৱা (লালুং) ৰজাৰ সন্ধিমতে ৰহিয়াল বৰুৱাৰ অধীনত নিযুক্তি দিয়া পাছো ৰজা আৰু জাগীয়াল গোহাঁইৰ অধীনত নিযুক্তি দিয়া সাতো ৰজাই প্ৰশাসন চলোৱাৰ লগতে প্ৰতি বছৰে বহাগৰ পৰা কৰ-কাটল ৰনুৱা, বনুৱা আদি সংগ্ৰহ কৰিছিল। কালক্ৰমত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছত ৰজাৰ সকলো ধৰণৰ প্ৰশাসনিক ক্ষমতাসমূহ নোহোৱা হৈ পৰিল যদিও উক্ত ব্যৱস্থা সাংস্কৃতিক অনুষ্ঠান তথা মেলালৈ ৰূপান্তৰিত হ'ল। পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি আজিও উক্ত অঞ্চলসমূহত এজন ৰজাৰ পিছত ৰাজ পৰিয়ালৰে আন এজনক পৰম্পৰাগতভাৱে ৰাজ অভিষেক পাতি ৰজা ঘোষণা কৰা হয়। সেইদৰে পাঁচো ৰজা-সাতোৰজাৰ ৰাজ্যৰ অন্তৰ্গত ৰহাৰ সমীপৰ টুপাকুচি ৰাজ্যৰ ৰজা তিকেন্দ্ৰজিৎৰ বংশধৰ অজিত সিংহ ডেকাক কেইদিনমান পূৰ্বে পৰম্পৰাগত ৰীতি নীতিৰে ৰাজ অভিষেক পাতি ৰজা ঘোষণা কৰা হয়। অজিত সিংহ ডেকাক পৰম্পৰাগত নীতি নিয়মেৰে ৰাজতিলক পিন্ধাই ৰাজ তৰোৱাল হাতত তুলি দিয়া এই অনুষ্ঠানত সৰাগাঁও, বাৰপূজীয়া, মিকিৰগাঁও আদিৰ প্ৰতীকী ৰজাসকলৰ লগতে মধ্য অসম কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী সন্মিলনৰ বহুকেইজন কেন্দ্ৰীয় নেতা উপস্থিত আছিল। উল্লেখ্য যে, উক্ত ৰাজ পৰিয়ালটো মূলতঃ তিৱা জনগোষ্ঠীৰ যদিও পৰৱৰ্তী সময়ত কোঁচ ৰাজবংশীয় কৃষ্টি সংস্কৃতি গ্ৰহণ কৰিছিল বুলি জনা যায়। ইয়াৰ অচিলা লৈ সমগ্ৰ ৰাজ অভিষেক অনুষ্ঠানটোৱে মধ্য অসমৰ কোঁচ ৰাজবংশীয় পৰম্পৰাগত অনুষ্ঠান বুলি প্ৰচাৰ চলাৰ পাছতেই ক্ষুন্ন হৈছে তিৱা জনগোষ্ঠী তথা বৌদ্ধিক মহল। ক্ষোভ অসন্তুষ্টিৰ বহিঃপ্ৰকাশ ঘটাই অহা ২০ অক্টোবৰত বহু কেইটা তিৱা সংগঠনে আন এক ৰাজ অভিষেক পাতি দক্ষিণ বালিপাৰাৰ সুশীল কোঁৱৰক টুপাকুচিৰ ৰজা পতাৰ ব্যাপক প্ৰস্তুতি চলাইছে।

# নিমাতীঘাটত পুনৰ ভয়ংকৰ দুৰ্ঘটনা, বৈ থকা জাহাজত খুন্দা ফেৰীৰ

**ই-সংবাদ, মাজুলী, ১০,অক্টোবৰঃ** ৰাজ্যত দুৰ্গা পূজাক লৈ উখল মাখন পৰিবেশৰ মাজত মাজুলীৰ নিমাতীঘাটত সংঘটিত হল এক অঘটন। নিমাতীঘাটত পুনৰ ফেৰী দুৰ্ঘটনাত পতিত হয়। ফলত যাত্ৰীসকলৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। মা কামাখ্যা নামৰ ফেৰীখনে শিশু, মহিলাসহ শতাধিক যাত্ৰী আৰু বহু সংখ্যক দুচকীয়া বাহন লৈ ১২.৩০ বজাত নিমাতীঘাটৰ পৰা মাজুলী অভিমুখে আহি আছিল। ফেৰীখনে বৈ থকা এখন জাহাজত প্ৰচণ্ড জোৰত খুন্দা মাৰে। প্ৰচণ্ড খুন্দাত গুটিয়া ফেৰীৰ ওপৰতে বাগৰি পৰিল দুচকীয়া বাহনসমূহ। ফলত ভিতৰত থকা যাত্ৰীসকলৰ মাজত হাহাকাৰ লাগে। কোনো যাত্ৰী হতাহত হোৱা নাই। কিন্তু ২০২১ চনৰ ৮ ছেপ্টেম্বৰত নিমাতীঘাটত সংঘটিত ফেৰী দুৰ্ঘটনাৰ দৰে ঘটনাৰ পৰা ৰক্ষা পৰিল যাত্ৰীসকল। অন্য এখন ফেৰীৰে উদ্ধাৰ কৰে যাত্ৰীসকলক। যাত্ৰীসকলে অভিযোগ অনুসৰি অনভিজ্ঞ গুৰিয়াল আৰু অত্যাধিক গাড়ী আৰু যাত্ৰী ভৰোৱা ফেৰীসমূহৰ ওজন বৃদ্ধিত ফেৰীৰ ভাৰাসাম্য হেৰাই যায়। ফলতে এনেধৰণৰ ঘটনা সংঘটিত হয়।



ফেৰীঘাটত আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ বিষয়া-কৰ্মচাৰী আছে যদিও ফেৰীৰ বহন ক্ষমতা অনুসৰি যাত্ৰী নুঠাই ফেৰীৰ কৰ্মচাৰী আৰু আৰু ফেৰীৰ মালিকৰ মতে অত্যাধিক দুচকীয়া বাহন আৰু যাত্ৰী উঠোৱাৰ ফলতেই এনেধৰণৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ২০২১ চনৰ ৮ ছেপ্টেম্বৰত নিমাতীঘাটৰ সমীপত সংঘটিত ভয়ংকৰ ফেৰী দুঘটনাত তিনিজনকৈ ব্যক্তিৰ মৃত্যু হোৱাৰ পাছতো শিক্ষা নললে আভ্যন্তৰীণ জল পৰিবহন বিভাগে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ হ্ৰাস হোৱাত চৰকাৰী জাহাজসমূহ বন্ধ কৰি ৰাখিছিল বিভাগে। গুটি ফেৰী সমূহেই যাত্ৰীক পৰাপাৰ কৰি আহিছে। পুনৰ ফেৰী দুঘটনাৰ দৰে সংঘটিত ঘটনাই যাত্ৰীসকলৰ মনলৈ সংশয়ৰ সৃষ্টি হৈছে। মাজুলীবাসী ৰাইজৰ জীৱন সম্পত্তি নিৰাপত্তা সুনিশ্চিত কৰি ফেৰী সেৱা উন্নত কৰিবৈ বিভাগক দাবী জনাইছে মাজুলীবাসীয়ে।

# বাহাৰুল ইছলামৰ কবিতা পুথি ‘মই এতিয়াও জীয়াই আছোঁ’ উন্মোচন

**ই-সংবাদ, লাহৰীঘাট ১০ অক্টোবৰঃ** বজাৰলৈ আহিছে মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ বাহাৰুল ইছলামৰ কবিতা পুথি ‘মই এতিয়াও জীয়াই আছোঁ’। মৰিগাঁও জিলাৰ যুৱ কবি বাহাৰুল উলুম চৌধুৰীৰ প্ৰথমখন কবিতা পুথি উন্মোচন কৰা হয়। কবিতা পুথিখন উন্মোচন কৰে মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই। আনন্দ প্ৰকাশৰ দ্বাৰা প্ৰকাশিত বাহাৰুল উলুম চৌধুৰীৰ কবিতা পুথিখন মৰিগাঁও জিলা আয়ুক্ত কাৰ্যালয়ত বুধবাৰে উন্মোচন কৰা হয়। দেৱাশীষ শৰ্মাই কবিতা পুথিখন উন্মোচন কৰি কয় যে কবিতা পুথিখন যথেষ্ট উন্নতমানৰ হৈছে। কবিতা পুথিখন পাঠক সমাজে আদৰি ল'লে কবিগৰাকীৰ শ্ৰম সাৰ্থক হ'ব। মৈৰাবাৰীৰ দৰে অতি ভিতৰুৱা এলেকাত জন্ম গ্ৰহণ কৰি মৈৰাবাৰীৰ বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা দ্বাদশ শ্ৰেণীলৈকে পঢ়ি নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত স্নাতক বাহাৰুল উলুম চৌধুৰী সংবাদজগতত এক চিনাকি নাম। সাংবাদিকতাৰ সমান্তৰালকৈ বিগত দুটা দশকধৰি নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চাও কৰি গৈছে। অসমৰ আগশাৰীৰ বিভিন্ন সংবাদপত্ৰ, আলোচনীত বাহাৰুল উলুম চৌধুৰীৰ কবিতা, গল্প, প্ৰবন্ধ প্ৰকাশ পাইছে। কেইবাখনো আলোচনীও সম্পাদনা কৰিছে। সাংবাদিকতাৰ ডিগ্ৰী গ্ৰহণ কৰাৰ উপৰিও এলাহাবাদৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ছাত্ৰ অৱস্থাৰ পৰাই সাহিত্য চৰ্চাত ব্ৰতী বাহাৰুলৰ কবিতা, গল্প, প্ৰবন্ধ প্ৰকাশ পাই আহিছে। ২০০০ চনত আজিৰ বাতৰি




কাকতৰ জৰিয়তে সাংবাদিকতা আৰম্ভ কৰা বাহাৰুল উলুম চৌধুৰীয়ে প্ৰতিদিন টাইম নামৰ চেনেলটোত সাংবাদিকতা কৰে। মৰিগাঁও জিলাৰ স্বাস্থ্য বিভাগৰ জিলা পৰিয়াল পৰিকল্পনা সমন্বয়ক হিচাপে কৰ্মৰত বাহাৰুলে চাকৰিৰ ব্যস্ততাৰ মাজতো নিৰৱে সাহিত্যচৰ্চা চলাই আহিছে। তাৰেই ফচল এই কবিতাপুথি খন। লেখকগৰাকীৰ আৰু কেবাখনো মূল্যবান গ্ৰন্থ প্ৰকাশৰ পথত। জীৱন দৰ্শন, শ্ৰেণী সংগ্ৰামৰ বিৰুদ্ধে প্ৰতিবাদ, ৰমন্যাসিকতা আদি ভিন্ন স্বাদৰ কবিতাৰে সমৃদ্ধ কবিতা পুথিখন উন্মোচন হোৱাৰ পিছত অনাগত দিনত আৰু অধিক গ্ৰন্থ যাতে অসমীয়া সাহিত্যৰ ভঁৰাললৈ আগবঢ়াব পাৰে তাৰ বাবে কবি বাহাৰুল উলুম চৌধুৰীয়ে পাঠক সমাজৰ পৰা গঠনমূলক পৰামৰ্শ আৰু অনুপ্ৰেৰণা বিচাৰিছে।

# হাস্পতাল পৰিচালনা সমিতিৰ সভাপতি পদত চিৰাজুদ্দিন আজমল

**ই-সংবাদ, মোৰাঝাৰ, ১০ অক্টোবৰঃ** হোজাই জিলাৰ নীলবাগান এম.জি মডেল হাস্পতাল পৰিচালনা সমিতিৰ নতুন সমিতি গঠন কৰা হৈছে। সভাপতিৰ দায়িত্ব দিয়া হৈছে বিধায়ক চিৰাজুদ্দিন আজমলক। হোজাই জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ৰঞ্জু ৰাজখোৱাই ২৬ ছেপ্তেম্বৰত প্ৰকাশ কৰা এক নিৰ্দেশনাত নীলবাগান এম জি মডেল হাস্পতালৰ সভাপতিৰ দায়িত্ব বিধায়ক চিৰাজুদ্দিন আজমলক প্ৰদান কৰা বুলি উল্লেখ কৰিছে। উপ অধীক্ষক ইছহাক আলীক সদস্য সচিব, নীলবাগান জিলা পৰিষদ সমষ্টিৰ সদস্য, নীলবাগান গাঁও পঞ্চায়তৰ সভাপতি, বিন্নাকান্দি উন্নয়ন খণ্ডৰ বিডিঅ’, বিন্নাকান্দি আঞ্চলিক পঞ্চায়তৰ সভাপতি, ডবকা ৰাজহ চক্ৰ বিষয়াক পদেন সদস্যক সদস্য হিচাপে লৈ সমিতিখন গঠন কৰা হয়।

# ডুমডুমা অসমীয়া পূজা-নাট্যমন্দিৰ সমিতিৰ ১২১ সংখ্যক দুৰ্গা পূজা

**ই-সংবাদ, ডুমডুমা, ১০ অক্টোবৰঃ** তিনিচুকীয়া জিলাৰ চাহনগৰী ডুমডুমাৰ ঐতিহ্যমণ্ডিত ডুমডুমা অসমীয়া পূজা আৰু নাট্যমন্দিৰ সমিতিৰ ১২১ সংখ্যক দুৰ্গা পূজা ভক্তৰ পাৰ ভঙা উছাহ দেখা গৈছে। ৯ অক্টোবৰত বেলবৰণত আধ্যাত্মিক পৰিবেশত দেৱীক আদৰি আনি বেদীত প্ৰতিষ্ঠা কৰা হয়। সপ্তমীৰ দিনটোত দলীয় গোঁসানী নাম, একক উৰুলি প্ৰতিযোগিতা আৰু একক শংখ প্ৰতিযোগিতা অনুষ্ঠিত হয়। কাইলৈ অৰ্থাৎ মহাঅষ্টমীত একক আৱতি প্ৰতিযোগিতা অনুষ্ঠিত হব। পূজাত ঐতিহাসিক কামৰূপী ঢুলীয়াক আমন্ত্ৰণ কৰা হৈছে। তিনিচুকীয়াৰ 'সাৰদা দেৱী খৈতান সোঁৱৰণী ন্যাসে' প্ৰতিবছৰে প্ৰদান কৰি অহা সাৰদা ট্ৰফীৰ শ্ৰেষ্ঠ দুৰ্গা পূজা ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিক প্ৰদান কৰা হৈছে। ২০ অক্টোবৰত তিনিচুকীয়াত অনুষ্ঠিত হ'বলগীয়া এক বিশেষ অনুষ্ঠানত এই বঁটা গ্ৰহণ কৰিব ডুমডুমা অসমীয়া পূজা আৰু নাট্য মন্দিৰ সমিতিয়ে। বিশিষ্ট সাংবাদিক অনুজ কলিতা আৰু মনোজ বৰুৱাৰ দ্বাৰা গঠিত বিচাৰক মণ্ডলীয়ে ডুমডুমা অঞ্চলৰ সকলো পূজা ভ্ৰমণ কৰি এই ঘোষণা কৰে সাৰদা ট্ৰফী প্ৰদানৰ ঘোষণা কৰিছে।

# মৈৰাবাৰীত অনুষ্ঠিত বাটৰ কবিতা, ৰতন টাটাৰ বিয়োগত শোক




**ই-সংবাদ, মৈৰাবাৰী, ১০ অক্টোবৰঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ খাইৰ প্ৰকাশনৰ সম্প্ৰীতিৰ অভিনৱ কাব্যানুষ্ঠান 'বাটৰ কবিতা' আজি অনুষ্ঠিত হয়। ২০১৫ চনৰ ১০ জানুৱাৰীৰ পৰা প্ৰতি মাহৰ ১০ তাৰিখে অনুষ্ঠিত হৈ অহা 'বাটৰ কবিতা'ৰ অক্টোবৰ মাহৰ অনুষ্ঠান আজি মৈৰাবাৰী কলেজ ৰোডত 'খাইৰ প্ৰকাশন'ৰ কাৰ্যালয়ৰ সন্মুখত অনুষ্ঠিত হয়। মৈৰাবাৰী প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি বদৰুজ জামান আকতাৰৰ সঞ্চালনাত অনুষ্ঠিত ব্যতিক্ৰমী কাব্যানুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে খাইৰ প্ৰকাশনৰ স্বত্বাধিকাৰী তথা বিশিষ্ট কবি, লেখক খাইৰুল ইছলামে। অনুষ্ঠানত মুহাম্মাদ আফজাল, খাইৰুল ইছলাম আৰু বদৰুজ জামান আকতাৰে কবিতা পাঠ কৰে আৰু শিক্ষক জিন্নাতুল ইছলামে গীত পৰিৱেশন কৰাৰ লগতে মুহাম্মাদ ফাহিমে এটি কবিতা আবৃত্তি কৰে। বিশিষ্ট কবি, লেখক মুহাম্মাদ আফজালে গীত-কবিতাসমূহৰ চমু পৰ্যালোচনা আগবঢ়ায়। বিশিষ্ট উদ্যোগপতি ৰতন টাটাৰ বিয়োগত মৰ্মাহত হৈ 'বাটৰ কবিতা' অনুষ্ঠানৰ তৰফৰ পৰা এক মিনিট মৌন প্ৰাৰ্থনা জনাই উপস্থিত কবি আৰু কাব্যপ্ৰেমী ৰাইজে। তদুপৰি 'বাটৰ কবিতা' অনুষ্ঠানৰ অন্যতম কবি বাহাৰুল উলুম চৌধুৰীয়ে অলপতে 'মই এতিয়াও জীয়াই আছোঁ' নামে এখন কাব্যগ্ৰন্থ প্ৰকাশ কৰি উলিওৱাত খাইৰ প্ৰকাশন তথা 'বাটৰ কবি' সমাজে আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে।প্ৰশাসনেও নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

# কাৰোবাৰে নাই আহৰি! শাৰদীয় বতৰত বাবু-মুন্না-ভাইটিহঁতৰ কথা ভাবিবলৈ নাই সময়

**ই-সংবাদ, বেবেজীয়া, ১০ অক্টোবৰঃ** আমোলমোল শেৱালীৰ গোন্ধ, উন্মনা হৈ পৰা কহুঁৱা বনৰ লয়লাস ভংগিমা তথা কুঁৱলিৰ মৃদু আচ্ছাদন ফালি ওলাই অহা মিঠা ৰ'দৰ পোহৰে সৃষ্টি কৰা এটি মনোমোহা পৰিবেশৰ মাজতেই অনুষ্ঠিত হৈছে সকলোৰে মন-প্ৰাণ উতনুৱা কৰা শাৰদীয় দুৰ্গোৎসৱ। সকলোতে দেখা গৈছে সীমাহীন পাৰভগা উছাহ। দুৰ্ভাগ্য-দুৰ্দিন সকলো একাষৰীয়া কৰি সৰ্বপ্ৰান্ততে চলিছে দেৱী বন্দনা। ষষ্ঠীত দেৱী প্ৰতিষ্ঠা কৰাৰে পৰা পাঁচদিন ধৰি চলিবলগীয়া এই পূজাত দেৱীৰ ওচৰত প্ৰণিপাত জনাবলৈ পূজা মণ্ডপবোৰত ভক্তবৃন্দই প্ৰচণ্ড ভিৰ কৰিছে। সকলোৰে আশা যেন কৰুণাময়ী দেৱীয়ে সুন্দৰতাৰে ভৰাই দিব গোটেই ধৰা। ইফালে, দেৱী পূজাৰ সমান্তৰালভাবে চৌপাশে যেন সৌন্দৰ্যৰো বৰ্ণনা। কিয়নো পূজা মণ্ডপ, দেৱী প্ৰতিমাৰো সুন্দৰ আৰু আকৰ্ষণীয়ভাৱে সজাই-পৰাই তোলাৰ অঘোষিত প্ৰতিযোগিতা। প্ৰকাশ যে, ৰং-ৰহইচৰে ভৰা এই দুৰ্গা পূজা সকলো শ্ৰেণীৰ লোকৰ বাবেই অতীজৰে পৰা অন্যতম আকৰ্ষণীয় উৎসৱ হিচাপে পৰিগণিত হৈ আহিছে। সকলোৰে সামৰ্থ্য অনুযায়ী এই পূজাৰ দিনকেইটাত বিৰাট আনন্দ, স্ফূৰ্তি-তামাচাৰে নিজকে বিলীন কৰি দিয়ে। বহু দিনৰে পৰা পৰম আশাৰে বাট চাই থকা এই পূজাৰ বাবেই ক্ৰয় কৰে নতুনকৈ এসাজ কাপোৰ আৰু সেই কাপোৰ পৰিধান কৰি পূজাৰ মণ্ডপে মণ্ডপে গৈ দেৱী দৰ্শন কৰি আনন্দত আত্মহাৰা হৈ পৰে। লোভনীয় জেলেপী বা আন মিঠাইৰ সোৱাদ লৈ জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে পূজা উপভোগ কৰাৰ বিপৰীতে কণ কণ শিশুসকলে বেলুন, পুতলা, পিষ্টল, খেলনা গাড়ী আদি লৈ মধুৰ তৃপ্তি অনুভৱ কৰে। কিন্তু পূজাকেন্দ্ৰীক এনে আনন্দ-উছাহে পিছে স্পৰ্শ কৰিব নোৱাৰে বাবু-মুন্না-ভাইটিহঁতৰ দৰে এচাম শিশুক। কিয়নো একমাত্ৰ দৰিদ্ৰতাই কোঙা কৰা এইসকল শিশুৱে ইচ্ছাসত্বেও পূজাৰ স্ফূৰ্তি-তামাচাৰ পৰা আঁতৰি থাকিবলৈ বাধ্য হয় পেটৰ ভাত মুঠিৰ কথা চিন্তা কৰি। আয়তীৰ উৰুলি আৰু সঘনে উচ্চাৰিত বেদমন্ত্ৰৰ ধ্বনিৰ লগতে ঢাকৰ শব্দই ৰজনজনাই সৃষ্টি কৰা এক অনুপম পৰিবেশত উটি-ভাহি ফুৰিবলৈ সময় নোপোৱা এইসকল পৰিশ্ৰমী দুখীয়া শৰিয়ালৰ শিশুয়ে এই সময়ছোৱাত ব্যস্ত থাকে



গ্ৰাহকক শুশ্ৰূষা কৰা কাৰ্যত। পূজা চাবলৈ অহা লোকসকলে বন্ধু-বান্ধৱ নতুবা পৰিয়ালৰ লোকৰ সৈতে একাপ চাহ-কফি নতুবা আন পাতল আহাৰ খাবৰ বাবে যোৱা হোটেল, ৰেষ্টুৰেণ্ট, ধাবা আদিত কাম কৰে শ্ৰমিক হিচাপে এইসকল শিশুৱে। কাজেই, গ্ৰাহকক বিচৰা অনুযায়ী খাদ্য যোগান ধৰি অহা এই শিশুসকলে আন দিনৰ তুলনাত এই উৎসৱৰ দিকেইটাত পুৱাৰে পৰা দুভাগ নিশালৈকে অত্যন্ত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবেই পূজা উপভোগৰ পৰা বঞ্চিত হ'বলগাত পৰে।

# ৪০০ বছৰীয়া ৰজাদিনীয়া দুৰ্গা পূজা মহামায়াত ৰাইজৰ মাজত ব্যাপক উছাহ

**ই-সংবাদ, পৰ্বতঝোৰা, ১০ অক্টোবৰঃ** বিটিআৰ কোকৰাঝাৰ জিলাৰ বগৰীবাৰীৰ ঐতিহাসিক মা মহামায়া মন্দিৰত চাৰিশ বছৰীয়া ৰজাদিনীয়া ৰীতি-নীতিৰে অনুষ্ঠিত দুৰ্গা পূজাত মানুহৰ ব্যাপক সমাগম ঘটিছে। মহাসপ্তমীত মা মহামায়া মন্দিৰত ভক্তৰ ভিৰ লাগে। লোক প্ৰবাদ মতে, ষোল্লশ শতিকাৰ শেষৰফালে বগৰীবাৰীৰ জমিদাৰ হাতীবৰ চৌধুৰীৰ তত্বাৱধানত মহামায়া মন্দিৰত ৰীতি-নীতিৰে দুৰ্গা পূজা অনুষ্ঠিত হৈছিল। তেতিয়াৰ পৰাই দেৱীৰ মূৰ্তি অবিহনে পূজা অনুষ্ঠিত হৈ আহিছে। মহাষষ্ঠিত দেৱী বোধনৰ মাজেৰে ঘট্ স্থাপন কৰি ষোড় শোপচাৰ পদ্ধতিৰে পূজা আৰম্ভ হয়। পূজাৰ বিশেষত্ব হৈছে প্ৰতিদিন পূজাৰ অঙ্গীয় চণ্ডী পাঠ। প্ৰতিদিন এহেজাৰকৈ বিল্বপত্ৰ দান, দুৰ্গামন্ত্ৰ জপ, বটুক পূজা-পাঠ আৰু হোমযজ্ঞ কৰা হয়। দেৱতা পাগল নাথ, পদ্মা, কালী, পঞ্চ দেৱতাৰো পূজা হয়। পূজাস্থলিত প্ৰতি দিন পদ্মা পুৰাণৰ গীতৰ প্ৰচলন চলে। ষষ্ঠিৰ দিনাৰ পৰা আৰম্ভ হোৱা পূজা সপ্তমীবিহীত পূজা, সন্ধি পূজাৰ জৰিয়তে আষ্টমীবিহীত পূজা অনুষ্ঠিত হয়। প্ৰতিদিন ছাগলী, পাৰ, হাঁহ, মাগুৰ মাছ বলি দিয়া হয়। চাৰিশ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি পালন কৰি অহা পূজাত কাছ বলি দিয়াৰ পৰম্পৰা আছিল যদিও বৰ্তমানে আইনগত কাৰণত কাছ বলি দিয়া নহয়। প্ৰতিদিন ২ কুইন্টল চাউলৰ ভোগ দিয়া হয়। নতুনকৈ বা কোনো বেলেগ পুৰোহীতে পূজা কৰিব নোৱাৰে। লোকপ্ৰবাদ অনুসৰি চাৰিশ বছৰ পূৰ্বে মা মহামায়াই সপোনত কন্দৰ্প নাৰায়ণ ব্ৰহ্মচাৰীক পূজা অৰ্চনা কৰাৰ বাবে আদেশ দিয়াৰ দিনৰে পৰা তেওঁৰ পৰিয়ালৰ লোকেই কেৱল এই পূজা কৰে। যাৰ বাবে ব্যতিক্ৰম এই পূজা দৰ্শন কৰিবলৈ দেশ-বিদেশৰ হাজাৰ হাজাৰ ভক্তৰ সমাগম ঘটে।



মাতৃভাষা থীমৰ ওপৰত নিৰ্মিত কোকৰাঝাৰৰ দুৰ্গা মণ্ডপ

## ২৫০ বছৰ পুৰণি নামতি দলত ভক্তৰ ভিৰ

**ই-সংবাদ, আমগুৰি ১০ অক্টোবৰঃ** শিৱসাগৰ জিলাৰ ২৫০ বছৰ পুৰণি ঐতিহ্যমণ্ডিত নামতি দলৰ দুৰ্গা পূজাত ভক্তৰ ভিৰ দেখা গৈছে। বৈদিক ৰীতি-নীতিৰে অনুষ্ঠিত পূজাত আধ্যাত্মিক পৰিৱেশ বিৰাজ কৰিছে। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত নামতিয়াল ভাগতী বৰবৰুৱাই নিৰ্মাণ কৰা দেৱীদলত এই পূজা অনুষ্ঠিত হোৱা বুলি কয় প্ৰয়াত জননেতা খগেন বৰবৰুৱাৰ কন্যা কস্তুৰী বৰবৰুৱাই। ১৭৮০ খ্ৰীষ্টাব্দৰ পৰা ১৭৯৪ খ্ৰীষ্টাব্দৰ ভিতৰত নিৰ্মাণ কৰা দ'লত গৌৰীনাথ সিংহৰ ৰাজত্ব কালৰে পৰাই দুৰ্গা পূজা কৰিছিল। পৰৱৰ্তী সময়ত আমগুৰিৰ বৰাহীবাৰীৰ প্ৰয়াত জননেতা খগেন বৰবৰুৱা পৰিয়ালে দ'লভাগ চোৱাচিতা কৰি আহিছে।

# গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ জিতু হাজৰিকাক বহিষ্কাৰ

**ই-সংবাদ, আমগুৰি, ১০ অক্টোবৰঃ** সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতিক সংগঠনৰ সদস্যপদৰ পৰা বহিষ্কাৰ কৰাৰ ঘোষণা কৰিছে সংগঠনটোৱে। বিশ্বনাথ জিলা সমিতিৰ সভাপতি জিতু হাজৰিকাক আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ বহিষ্কাৰ কৰাৰ ঘোষণা কৰিছে সংগঠনটোৱে। সন্থাৰ কেন্দ্ৰীয় সভাপতি ৰাতুল শৰ্মা আৰু সম্পাদক শ্যামল মহনে এক বিবৃতিত কয় যে গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ সংবিধানৰ শপতনামা উলংঘা, কেন্দ্ৰীয় নেতৃত্বক অৱমাননা কৰা আৰু সংবিধান বিৰোধী কাৰ্যকলাপত জড়িত হৈ সংগঠনটোক ভাঙোনমুখী কৰাৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল হাজৰিকা। এই অভিযোগত বিশ্বনাথ জিলা সমিতিৰ সভাপতি জিতু হাজৰিকাক সদস্যপদৰ পৰাও বহিষ্কাৰ কৰা হৈছে। ৯ অক্টোবৰত সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে শিৱসাগৰত এখন জৰুৰী সভা অনুষ্ঠিত কৰি এই সিদ্ধান্ত লয়। জিতু হাজৰিকাৰ লগত সন্থাৰ সম্পৰ্কে কোনোধৰণৰ যোগাযোগ নাৰাখিবলৈ সকলোৰে প্ৰতি কেন্দ্ৰীয় সমিতিয়ে আহ্বান জনাইছে সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাই।

## বিভিন্ন প্ৰান্তৰ ১৬খন তোৰণ আনুষ্ঠানিকভাৱে উন্মোচন কৰে শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাই

# গেদাৰবড়িত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ আৰম্ভ

**ই-সংবাদ, বেবেজীয়া, ১০ অক্টোবৰঃ** উত্তৰ-পূৰ্বৰ অন্যতম সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চতুৰ্বিংশতি সংখ্যক কেন্দ্ৰীয় অংকীয়া নাট সমাৰোহ আজিৰে পৰা তিনিদিনীয়াকৈ নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ পূৰ হাতীচোঙৰ গেদাৰবড়িৰ শ্ৰীমন্ত শংকৰদেৱ আৰু বঢ়াৰ পো সমন্বয় ক্ষেত্ৰত আৰম্ভ হৈছে। কাৰ্যসূচী অনুসৰি পুৱা জিলা সেৱা বাহিনীৰ দ্বাৰা পৰিৱেশ নিকাকৰণ, প্ৰাতঃ প্ৰসংগৰ পিছতে মূল তোৰণৰ লগতে বিভিন্ন প্ৰান্তৰ ১৬ খন তোৰণ আনুষ্ঠানিকভাৱে উন্মোচন কৰে শিক্ষাবিদ ৰাণা প্ৰকাশ বৰাই। পতাকা উত্তোলন কৰি সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা কয় যে লোক ৰঞ্জন, লোক সংগ্ৰহ আৰু লোক স্থিতিৰ বাবে গুৰুজনাই নাট-ভাওনাৰ সৃষ্টি কৰিছিল। নাট-ভাওনা হ'ল পৰিবেশ্য কলা। গুৰুজনাই ইয়াৰ যোগেদি মানুহক ভক্তিৰসৰ সোৱাদ দিছিল। দুপৰীয়া নাম-প্ৰসংগৰ অন্তত সংঘৰ সংস্কৃতি শাখাৰ সভাপতি পবিত্ৰ প্ৰাণ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা নাট সমাৰোহ উদ্বোধন কৰি সংঘৰ প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াই কয় যে ভাওনাৰ ভাষা সদায় ব্ৰজাৱলী হ'ব লাগে। গুৰুজনাই আমাক দি গৈছে সেই অত্যন্ত সুন্দৰ ব্ৰজাৱলী ভাষাটো। অনুষ্ঠানত মুখ্য অতিথি হিচাপে সংঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা, বিশিষ্ট অতিথি হিচাপে কলিয়াবৰৰ বাঘবৰ সত্ৰৰ সত্ৰাধিকাৰ হীৰু প্ৰসাদ মহন্ত, বিশিষ্ট চিকিৎসক ডাঃ হিতেশ বৰুৱা, সাংসদ প্ৰদ্যুত বৰদলৈ, বিধায়ক ৰূপক শৰ্মাই অংশগ্ৰহণ কৰে। সাংস্কৃতিক শাখাৰ সম্পাদক সঞ্জীৱ বৰুৱা, জিলা শাখাৰ সম্পাদক বিপুল শইকীয়া আৰু আদৰণি সমিতিৰ সম্পাদক দৰ্শন মহন্তই আঁত ধৰি আগবঢ়াই নিয়া গাম্ভীৰ্যপূৰ্ণ সভাখনৰ সভাপতিৰ আসনৰ পৰা পবিত্ৰ প্ৰান বৰাই কয় যে গুৰুজনাৰ অমূল্য সম্পদ যদি অসমীয়াই চৰ্চা নকৰে তেনেহ'লে কোনে কৰিব। আমি নতুন প্ৰজন্মৰ হাতত খোলটো, তাল যোৰ উঠাই দি আগুৱাই দিব লাগিব। হেৰাই যাব খোজা ভাওনা সংস্কৃতিক ৰক্ষা কৰিবলৈ যাওঁতে এটা কথা সদায় মনত ৰাখিব লাগিব আধুনিকতাৰ নামত ভাওনাখন যাতে কিম্ভুত কিমাকাৰ নহয়। ভাওনাত মনোৰঞ্জন, নয়ন তৃপ্তিৰ লগতে আধ্যাত্মিক দিশটোও জড়িত হৈ আছে। সভাত সংঘৰ মূলৰ সদস্য হৰেণ বৰা, জ্যোতিপ্ৰসাদ ভূঞা, নলিনী বৰা, অশোক বৰুৱা, গোবিন চন্দ্ৰ দাস, ভৰেন বৰা, জিলা শাখাৰ সভাপতি চেনাৰাম ডেকা, আদৰণি সমিতিৰ সভাপতি নিৰ্মল চন্দ্ৰ শইকীয়া, কমল চন্দ্ৰ শইকীয়া, পংকজ শইকীয়া, মাখন বৰা, সুব্ৰত শইকীয়াকে ধৰি জিলা শাখা আৰু আদৰণি সমিতিৰ বিষয়-ববীয়াসকল উপস্থিত থাকে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে সংঘৰ ট্ৰাষ্ট সমিতিৰ সভাপতি প্ৰফুল্ল বৰাই। নিশালৈ সংঘৰ নগাঁও জিলা শাখাই 'ৰাম বিজয়' আৰু কলিয়াবৰ জিলা শাখাই 'কালীয় দমন' অংকীয়া নাট দুখন পৰিবেশন কৰে। কাইলৈ ১১ অক্টোবৰত দিনৰ ১ বজাৰ পৰা শংকৰী সংস্কৃতি আৰু লোক কৃষ্টি প্ৰদৰ্শন অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠান মুকলি কৰিব সংঘৰ মূলৰ সদস্য মৌচুমী কাকতিয়ে। বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব সাহিত্যিক কুশল চন্দ্ৰ হাজৰিকা আৰু শিল্পী কৃষ্ণমণি নাথে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সংঘৰ নগাঁও জিলা শাখাৰ সভাপতি চেনাৰাম ডেকাই। ইয়াৰ পিছতেই গহপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা 'ৰাম বিজয়' নাটখনি উদ্বোধন কৰিব প্ৰাক্তন বিধায়ক ডাঃ দুৰ্লভ চমুৱাই। তদুপৰি কামপুৰ জিলা শাখাই প্ৰদৰ্শন কৰিব লগা 'কালীয় দমন' নাটখনি উদ্বোধন কৰিব ৰহাৰ বিধায়ক তথা আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি শশীকান্ত দাসে। অন্তিম দিনা দুপৰীয়া মুকলি সভাৰ অন্তত সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব মূলৰ সদস্য নলিনী বৰাই। নিশা বিশ্বনাথ জিলা শাখাই 'কালীয় দমন' আৰু বিহপুৰীয়া-নাৰায়ণপুৰ জিলা শাখাই 'ৰুক্মিণী হৰণ' নাট প্ৰদৰ্শন কৰিব।

## নগাঁৱৰ হিন্দু মিলন মন্দিৰৰ পূজাথলীত অতীতৰ স্মৃতি

**ই-সংবাদ, বেবেজীয়া, ১০ অক্টোবৰঃ** ই-সংবাদ, বেবেজীয়া, ১০ অক্টোবৰঃ সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো শাৰদীয় দুৰ্গা পূজা উপলক্ষে এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হৈছে। প্ৰতিকূল বতৰেও ম্লান কৰিব পৰা নাই দুৰ্গোৎসৱৰ আনন্দ-উছাহ। এইবাৰ জিলাখনত তিনি শতাধিক পূজা মণ্ডপত উদযাপিত হৈছে দুৰ্গা পূজা। এইসমূহৰ ভিতৰত এখন পূজা মণ্ডপে সকলোকে লৈ যাব ৭০ ৰ পৰা ৯০ দশকৰ ভিতৰৰ পাৰ হৈ অহা মধুৰ স্মৃতিৰ মাজলৈ। ব্যতিক্ৰমী ৰূপত অতীতৰ বিভিন্ন দৃশ্যাৱলী সুন্দৰভাৱে উপস্থাপন কৰা এই পূজাভাগ নগাঁৱৰ হিন্দু মিলন মন্দিৰত অনুষ্ঠিত কৰা হৈছে। যি পূজাভাগে ইতিমধ্যে বেছ চৰ্চা লাভ কৰাৰ লগতে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আনকি এই পূজাথলী পৰিদৰ্শন কৰাৰ লগে লগেই নষ্টালজিক হৈ পৰিছে দৰ্শকসকল। কিয়নো এই পূজাথলীত উজ্বলি উঠিছে বহু পুৰণি স্মৃতি। য'ত প্ৰতিফলিত হৈছে আমাৰ সমাজৰ পাহৰিব নোৱাৰা পুৰণি স্মৃতি বিজড়িত কিছু দৃশ্যৱলী। ইয়াৰ ভিতৰত আইতায়ে নাতি-নাতিনীক গধুলি চোতালত বহি সাধু কোৱা, ৰেডিঅ'ত বাতৰি শুনা, পাটীত বহি চাকিৰ



পোহৰত অধ্যয়ন কৰা, গৰুগাড়ীত বস্তু কঢ়িওৱা, ঢেকীশাঁল, পি চি অ'ত ফোন কৰিবৰ বাবে শাৰী পতা আদিৰ দৰে আধুনিকতাৰ গ্ৰাসত লুপ্ত হোৱা মনোৰম দৃশ্যাৱলী। তদুপৰি এই পূজাথলীত বৰ্তমানৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শৈশৱ কালতে অভিনয় কৰা 'ককা দেউতা নাতি আৰু হাতী' নামৰ বোলছবি খনৰ এটা মনোমোহা দৃশ্যও মূৰ্তি আকাৰে প্ৰদৰ্শন কৰা হৈছে। সেয়ে এই হিন্দু মিলন মন্দিৰৰ পূজাথলীৰ এনে ব্যতিক্ৰমী উপস্থাপন শৈলীয়ে আজিৰ প্ৰজন্মক পাৰ হৈ অহা সমাজৰ অতীতৰ মধুৰতাবোৰ অনুভৱ কৰাব পাৰিব বুলি সচেতন মহলে মন্তব্য কৰিছে।

শেষ পৃষ্ঠা

# পূৱ মণ্ডল ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছত উজলিল বেতবাৰীৰ তিনি খেলুৱৈ

**ই-সংবাদ, শিৱসাগৰ, ১০ অক্টোবৰঃ** শিৱসাগৰ বেতবাৰী মৌজাৰ তিনিগৰাকী খেলুৱৈয়ে যোৱা ৭ অক্টোবৰৰ পৰা ভুৱনেশ্বৰত অনুষ্ঠিত হোৱা পূৱ মণ্ডল ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছত অসমৰ হৈ পদক লাভ কৰি ৰাজ্যখনলৈ কঢ়িয়াই আনিছে। বেতবাৰীৰ গন্ধীয়া ন-পাম চেতিয়া গাঁৱৰ প্ৰতীক্ষা চেতিয়াই ছোৱালীৰ ১৪ বছৰ অনুৰ্দ্ধৰ শাখাত জেভলিন ইভেন্টত সোণৰ পদক লাভ কৰে। প্ৰবীণ ক্ৰীড়াবিদ ৰজনী চেতিয়াৰ প্ৰশিক্ষাৰ্থী প্ৰতীক্ষা চেতিয়া ৰমেশ চেতিয়া আৰু নীলাক্ষী চেতিয়াৰ কন্যা। ইয়াৰ পূৰ্বে প্ৰতীক্ষাই আন্তঃজিলা এথলেটিকছত সোণৰ পদক লাভ কৰিছিল। ইপিনে ২০ বছৰ অনুৰ্দ্ধৰ শাখাত হাইজাম্পত পিন্টু বৰঠাকুৱে ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ১৮ বছৰ অনুৰ্দ্ধৰ শাখাত শ্বটপুটত বেতবাৰীৰ পাৰ্থ প্ৰতীম বুঢ়াগোঁহাইয়ে ব্ৰঞ্জৰ পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। বেতবাৰীৰ এই সকল সন্তানে পূৱ মণ্ডল ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছত সাফল্য লাভ কৰাত সন্তোষ প্ৰকাশ কৰিছে মৌজাবাসীয়ে।



স্বৰ্ণ পদক জয়ী ন-পাম চেতিয়া গাঁৱৰ প্ৰতীক্ষা চেতিয়া



ছ'চিয়েল মিডিয়াযোগে জনালে কঠিন সিদ্ধান্তৰ কথা

# টেনিছৰ পৰা অৱসৰ কিংবদন্তী ৰাফেল নাডালৰ

**পেৰিছ, ১০ অক্টোবৰঃ** টেনিছৰ পৰা বিদায় ঘোষণা কৰিছে কিংবদন্তী টেনিছ তাৰকা ৰাফেল নাডালে। ছ'চিয়েল মিডিয়াত এক ভিডিঅ' বাৰ্তাযোগে তাৰকা খেলুৱৈগৰাকীয়ে ঘোষণা কৰে যে, চলিত বৰ্ষৰ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া ডেভিড কাপৰ পিছতে টেনিছৰ পৰা তেওঁ অৱসৰ ল'ব। নাডালে কয় যে বিগত কিছু বছৰ তেওঁৰ বাবে কঠিন হৈ পৰিছে, সেয়ে তেওঁ অৱসৰ গ্ৰহণৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে, চৈধ্যটা ফ্ৰেন্স অ'পেন খিতাপসহ গ্ৰেণ্ড শ্লেমৰ ২২টা খিতাপ দখল কৰি সৰ্বকালৰ শ্ৰেষ্ঠ টেনিছ তাৰকা হিচাপে পৰিগণিত হৈছে ৰাফেল নাডাল। তেওঁৰ নামত মুঠ ৯২টা এ টি পি একক খিতাপ আছে। যাৰ ভিতৰত আছে ৩৬টা মাষ্টাৰছ খিতাপ আৰু অলিম্পিকৰ স্বৰ্ণ পদক। ইয়াৰোপৰিও একাধিক অনন্য অভিলেখৰো গৰাকী এইগৰাকী টেনিছ তাৰকা। একক শাখাত গ্ৰেণ্ড শ্লেমৰ পৰা অৱসৰ লোৱা বিশ্বৰ মাত্ৰ তিনিজন টেনিছ তাৰকাৰ ভিতৰত অন্যতম ৰাফেল নাডাল। টেনিছৰ পৰা অৱসৰ ঘোষণা কৰি নাডালে কয়, 'মই পেছাদাৰী টেনিছৰ পৰা অৱসৰ লৈছো, সত্যটো হ'ল মোৰ অসুবিধা হৈছে। বিশেষকৈ যোৱা দুবছৰ। সিদ্ধান্তটো নিশ্চিতভাৱে কঠিন আছিল, সিদ্ধান্ত ল'বলৈ মোৰ বহু সময় লাগিছিল। কিন্তু সেয়াই জীৱন, সকলোৰে আৰম্ভণি আৰু অন্ত থাকে।' প্ৰণিধানযোগ্য যে, যোৱা মাহত অনুষ্ঠিত লেভাৰ কাপৰ পৰা আঁতৰি আহিছিল ৰাফেল নাডাল। কিংবদন্তী টেনিছ তাৰকাৰ বাবে সেয়াই কেৰিয়াৰৰ শেষ ইভেণ্ট হ'ব বুলি আশা কৰা হৈছিল। পেৰিছ অলিম্পিকৰ সময়ত নাডালে অৱসৰৰ ইংগিত দি কৈছিল যে লিভাৰ কাপ তেওঁৰ কেৰিয়াৰৰ শেষ ইভেণ্ট হ'ব। অৱশ্যে ইয়াৰ পিছতো টেনিছক বিদায় জনাব পৰা নাছিল তাৰকাগৰাকীয়ে। কিন্তু শেষ মুহূৰ্তত তেওঁ টেনিছক চূড়ান্ত বিদায় জনাই নিজৰ অৱসৰ ঘোষণা কৰে।

# কাঁটা তাঁৰত লাগি থকা ন' মেনছ লেণ্ডৰ মন্দিৰত পূজা

**ই-সংবাদ, গোলকগঞ্জ, ১০ অক্টোবৰঃ** দুয়োদেশৰ লোকে উপভোগ কৰা অসমৰ এখন বিশেষ পূজা। সীমান্তৱৰ্তী এলেকাৰ পূজাখনত ভাৰত আৰু বাংলাদেশৰ লোক সমৱেত হৈ পূজা উপভোগ কৰে। এইখন পূজাই দুয়ো দেশৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰাত অৰিহণা যোগাই আহিছে। এইখন পূজা অনুষ্ঠিত হয় ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰৰ অন্তৰ্গত সত্ৰশালৰ সমীপৰ ৰামৰাইকুটি প্ৰথম খণ্ড গাঁৱত। ভাৰত-বাংলাদেশ সীমান্তৰ কাঁইটীয়া তাঁৰৰ বেৰৰ ভিতৰৰ নো মেনছ লেণ্ডৰ ঐতিহ্যপূৰ্ণ মহামাহা মন্দিৰত অনুষ্ঠিত হয় এই পূজা। এইবাৰো ১১ অক্টোবৰত মন্দিৰটোত মা মাহামায়া আৰু কালী পূজা অনুষ্ঠিত হ'ব। উল্লেখ্য যে কেইবাশ বছৰ পূৰ্বে ভোট বা ভূটীয়াসকলে মন্দিৰটো স্থাপন কৰিছিল। কালক্ৰমত মন্দিৰটো কাঁইটীয়া তাঁৰৰ বেৰৰ ভিতৰত পৰাত আন্তঃৰাষ্ট্ৰীয় বাধা নিষেধৰ বাবেই আকৰ্ষণীয়ভাৱে নিৰ্মাণ কৰা সম্ভৱ হোৱা নাই। কিন্তু বছৰেকত অষ্টমী তিথিৰ দিনটোত অনুষ্ঠিত পূজাত বিএছএফৰ বহু নিয়ম-নীতিৰ মাজেৰে যথেষ্ট সংখ্যক ৰাইজৰ সমাগম ঘটে। পূজাত বলি বিধানো হয়। পৰিস্থিতিৰ ওপৰত লক্ষ্য ৰাখি দিনৰ পোহৰতে পূজা সমাপ্ত কৰা হয়। এন্ধাৰ হোৱাৰ পূৰ্বে নো মেনচ লেণ্ডৰ পৰা বাহিৰলৈ ওলাই আহিবলগীয়া হয় ভক্তসকল। পূৰ্বতে বাংলাদেশৰ লোকেও পূজাত অংশগ্ৰহণ কৰিছিল। কিন্তু পৰিস্থিতি বেয়া হোৱাত এতিয়া বাংলাদেশৰ ৰাইজে সীমাৰ সিপাৰত থিয় হৈ পূজা উপভোগ কৰে। বিচিত্ৰ ভৌগোলিক স্থানত অৱস্থিত ঐতিহাসিক মন্দিৰটো অসম, পশ্চিমবংগ আৰু বাংলাদেশৰ ত্ৰিসীমান্তৰ ১০০১ নং খুটিৰ কাষতে স্থাপন কৰা হৈছিল।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)